অধ্যায় ৬ ঃ শৰৎ চন্দ্ৰ গোস্বামী ঃ 'ঘুনুচা'

অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য
৬.২ পৰিচয়
৬.৩ শৰৎ চন্দ্ৰ গোস্বামী ঃ জীৱন আৰু কৃতি
৬.৩.১ শৰৎ চন্দ্ৰ গোস্বামীৰ গল্পৰ প্ৰধান বৈশিষ্ট্যসমূহ
৬.৪ 'ঘুনুচা'
৬.৪.১ গল্পটোৰ মূল পাঠ
৬.৪.২ গল্পটোৰ কাহিনীভাগ
৬.৪.৩ গল্পটোৰ চৰিত্ৰসমূহ
৬.৪.৪ গল্পটোৰ সাধাৰণ আলোচনা
৬.৪.৫ চুটিগল্প হিচাপে ঘুনুচা
৬.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৬.৬ অধিক জানিবলৈ
৬.৭ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)
৬.৮ আৰ্হি প্ৰশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অসমীয়া চুটিগল্পৰ প্ৰস্তুতিকালৰ গল্পকাৰসকল আৰু তেওঁলোকৰ গল্প সম্পৰ্কে এটি ধাৰণা লাভ কৰিব
- গল্পকাৰ শৰৎ চন্দ্ৰ গোস্বামীৰ জীৱন আৰু সাহিত্য-কৃতি সম্পৰ্কে অৱগত হ'ব
- শৰৎ চন্দ্ৰ গোস্বামীৰ গল্পৰ মূল বৈশিষ্ট্যৰাজিৰ আলোচনা কৰিব পাৰিব
- 'ঘুনুচা' গল্পটিৰ আলোচনা দাঙি ধৰিব পাৰিব
- শিল্পকলা ৰূপে চুটিগল্প সেই সম্পৰ্কে ব্যাখ্যা আগবঢ়াব পাৰিব।

৬.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া চতুৰ্থ ষাণ্মাসিকৰ অন্তৰ্গত প্ৰথম বুনিয়াদী পাঠ্যবিষয়ৰ এইটো ষষ্ঠ অধ্যায়। ইয়াত শৰৎ চন্দ্ৰ গোস্বামীৰ 'ঘুনুচা' গল্পটোৰ আলোচনা আগবঢ়োৱা হৈছে। 1893 চনত *জোনাকী* আলোচনীৰ চতুৰ্থ সংখ্যাত লক্ষ্মীনাথ বেজবৰুৱাৰ 'সেউতী' চুটিগল্পটি প্ৰকাশ হোৱাৰ লগে লগে অসমীয়া চুটিগল্পই জন্ম লাভ কৰে। বেজবৰুৱাৰ লগে লগে শৰৎ চন্দ্ৰ গোস্বামীয়েও গল্প ৰচনা কৰি অসমীয়া চুটিগল্পৰ দ্বিতীয়গৰাকী গল্পকাৰ হিচাপে স্বীকৃতি লাভ

কৰে। অসমীয়া গল্প-সাহিত্যৰ প্ৰস্তুতিৰ কালছোৱাত ভালে সংখ্যক গল্প ৰচনা কৰি গোস্বামীয়ে অসমীয়া চুটিগল্পৰ বিকাশ সাধনত উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰে। এতিয়া আমি গল্পকাৰ শৰৎ চন্দ্ৰ গোস্বামীৰ সাহিত্য-কৃতি, গল্পৰ বৈশিষ্ট্যৰাজি, বিষয়বস্তু, মূল পাঠ 'ঘুনুচা' গল্পটি সম্পৰ্কে আলোচনা কৰিমহঁক।

৬.৩ শৰৎ চন্দ্ৰ গোস্বামী ঃ জীৱন আৰু কৃতি

শৰৎ চন্দ্ৰ গোস্বামী একাধাৰে সমাজ সংগঠক,শিক্ষাবিদ আৰু সাহিত্যিক হিচাপে অসমীয়া সমাজত এখন বিশিষ্ট আসনৰ অধিকাৰী। অৱশ্যে সাহিত্য ক্ষেত্ৰত মূলতঃ এগৰাকী গল্পকাৰ হিচাপে তেওঁ সুপৰিচিত। 1887 চনৰ 12 মে' তাৰিখে নলবাৰীৰ নাৰায়ণপুৰ সত্ৰত তেওঁৰ জন্ম হয়। পিতৃ ললিত চন্দ্ৰ গোস্বামী আৰু মাতৃ গোবিন্দপ্ৰিয়াৰ পাঁচোটা সন্তানৰ ভিতৰত গোস্বামী আছিল সবাতোকৈ কনিষ্ঠ। 1897 চনত নলবাৰী মজলীয়া বিদ্যালয়ত নামভৰ্তি হয় আৰু 1900 চনত নলবাৰী মধ্য ইংৰাজী স্কুলৰ পৰা অসম উপত্যকাৰ ভিতৰতেই প্ৰথম স্থান লাভ কৰি বৃত্তি লাভ কৰে। পাছত গুৱাহাটীৰ কটন কলেজিয়েটত নামভৰ্তি কৰে। 1904 চনত এণ্ট্ৰেন্স পৰীক্ষাত তিনিটাকৈ সোণ-ৰূপৰ পদক লাভ কৰি সুখ্যাতিৰে উত্তীৰ্ণ হয় আৰু 1906 চনত কটন কলেজত এফ.এ. মহলাত উঠে। কলিকতাৰ মেট্ৰোপলিটান কলেজত সংস্কৃতত অনাৰ্চ লৈ বি.এ. পঢ়িবলৈ লয়। কলিকতা বিশ্ববিদ্যালয়ত সংস্কৃতত এম.এ. পঢ়িবলৈ লৈছিল যদিও টকা-পইচাৰ নাটনি হোৱাত অসম চৰকাৰক সহায়ৰ বাবে আবেদন জনাইছিল। আনকি টকা-পইচাৰ অভাৱৰ বাবে কিছুদিন ছপাশালতো তেওঁ কাম কৰিছিল। সেই সময়ৰ অসম চৰকাৰৰ উচ্চ শিক্ষাৰ ডাইৰেক্টৰে গোস্বামীক অসমৰ স্কুলসমূহৰ উপ-পৰিদৰ্শকৰ পদ যাঁচে। তেওঁ প্ৰথমে নগাঁৱত আৰু পাছত মঙলদৈত চাকৰি কৰিবলৈ লয়। 1911 চনত ঢাকাত বি.টি. পঢ়িবলৈ গৈ প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান লৈ উত্তীৰ্ণ হয় আৰু পাছত পুনৰ আগৰ চাকৰিত যোগদান কৰে। 1915 চনত তেওঁ যোৰহাট নৰ্মাল স্কুলৰ অধীক্ষক হয়। 1928 চনত ডেপুটি ইন্সপেক্টৰ পদৰ পৰা উন্নীত হৈ ইন্সপেক্টৰৰ পদ লাভ কৰে। এই পদ লাভ কৰা তেওঁ দ্বিতীয়গৰাকী অসমীয়া। 1943 চনত তেওঁ চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰে। 1944 চনত হিষ্ট'ৰীকেল ৰেকৰ্ডছ কমিছনৰ অধিৱেশনত যোগদান কৰি উদয়পুৰৰ পৰা ঘূৰি আহি দিল্লী পাওঁতে অসুস্থতাবশতঃ তেওঁৰ মৃত্যু হয়।

অসম সাহিত্য সভাৰ প্ৰতিষ্ঠাত শৰৎ চন্দ্ৰ গোস্বামীৰ বিশেষ অৱদান আছিল। সাহিত্য সভাৰ প্ৰতিষ্ঠাপক সম্পাদক হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ উপৰিও সভাৰ চতুৰ্থৰ পৰা নৱম অধিৱেশনলৈ [1920–27 চনলৈ) তেওঁ প্ৰধান সম্পাদকৰ দায়িত্ব পালন কৰিছিল। চন্দ্ৰকান্ত সন্দিকৈ ভৱন আৰু নাৰায়ণী সন্দিকৈ ভৱন প্ৰতিষ্ঠাত তেওঁৰ বহুমূলীয়া অৱদান আছে।

তেনেদৰে চন্দ্ৰকান্ত অভিধান প্ৰণয়নতো গোস্বামীয়ে প্ৰভূত অৰিহণা আগবঢ়াই গৈছে। কামৰূপ অনুসন্ধান সমিতিৰ সৈতেও তেওঁৰ ঘনিষ্ঠ সম্পৰ্ক আছিল। গোস্বামীৰ ভালেমান প্ৰবন্ধ সমিতিৰ আলোচনীত প্ৰকাশ হৈছিল। 1934 চনত হোৱা সভাৰ মূল বছৰেকীয়া অধিৱেশনৰ তেওঁ সভাপতি আছিল। অসমত স্কাউটিঙৰ প্ৰতিষ্ঠা কৰি সমাজ সংগঠনত অন্য এটি সুদৃঢ় পদক্ষেপ

লৈছিল। অসমত বিশ্ববিদ্যালয় প্ৰতিষ্ঠাৰ বাবে যোৱহাটত যি অভিৰৰ্তন হোৱাৰ কথা আছিল, তাৰো তেওঁ সম্পাদক আছিল। জ্যেষ্ঠা কন্যা প্ৰতিভা দেৱীৰ জ্যেষ্ঠ পুত্ৰ অতুলৰ স্মৃতিত শিশু উপযোগী গ্ৰন্থ প্ৰকাশৰ উদ্দেশ্যে 'অতুল কথামালা ফাণ্ড' স্থাপন কৰিছিল। উল্লেখ্য যে গোস্বামীয়ে ভালে সংখ্যক শিশু উপযোগী গ্ৰন্থ ৰচনা কৰিছিল। তেওঁ একমাত্ৰ পুত্ৰ 'প্ৰভাত'ৰ স্মৃতিত যোৱহাট তেওঁ নৰ্মাল স্কুলৰ মুখপত্ৰ 'প্ৰভাত' প্ৰতিষ্ঠা কৰিছিল। অসমৰ বিদ্যালয়ৰ পৰা ওলোৱা এইখনেই প্ৰথম মুখপত্ৰ। সমাজ সংগঠনৰ উপৰি শিক্ষাবিদ গোস্বামীয়ে ভালে সংখ্যক পাঠ্যপুথি আৰু সাহিত্য ৰচনা কৰি গৈছে। তেওঁৰ উল্লেখযোগ্য গ্ৰন্থসমূহ হ'ল—

- **গল্প-গ্ৰন্থ ঃ** (ক) *গল্পাঞ্জলি*(1914] –এঘাৰটা গল্পৰ সঙ্কলন, (খ) *ময়না* [1920] Ðদহোটা গল্পৰ সঙ্কলন, (গ) *বাজিকৰ* [1930] Ðতেৰটা গল্পৰ সঙ্কলন, (ঘ) *পৰিদৰ্শন* [1956] –সাতোটা গল্পৰ সঙ্কলন। এইগ্ৰন্থখন মৰণোত্তৰ-ভাৱে প্ৰকাশিত। (ঙ) *গল্পমালা* [1987] —মৰণোত্তৰভাৱে প্ৰকাশিত উক্ত গ্ৰন্থখনত সোতৰটা গল্প আছে।
- **উপন্যাস ঃ** *পানিপথ* [1930] Ðএকমাত্ৰ উপন্যাসখন সোতৰ বছৰ বয়সত ৰচনা কৰিছিল।
- **নাটক ঃ** 1910 চনত 'ৰূপচন্দ্ৰ ভাগৰতী' ছদ্মনামত *পৰীক্ষা* নামৰ নাটক ৰচনা কৰিছিল। 'বুদ্ধদেৱ' নামৰ অপ্ৰকাশিত নাট এখনো পোৱা যায়।
- **শিক্ষাবিষয়ক পুথি ঃ** (ক) *শিক্ষা বিচাৰ* [1923], (খ) *বহুশ্ৰেণী শিক্ষা প্ৰণালী* [1928], (গ) *শিক্ষা-বিজ্ঞান* [1952] — মৰণোত্তৰভাৱে প্ৰকাশিত।
- **পাঠ্যপুথি ঃ** (ক) *ভূগোল পাঠ* [1928], (খ) *গণিত-ভূগোল*, (গ) *অসম দেশৰ পুৰণি কথা* [1928], (ঘ) *সৰল ব্যাকৰণ* [1933]
- **ইংৰাজী ঃ** (a) *Hints to Teacher for Class Teaching* (1942), (b) *Circulars on Health & Physical Instruction* (1938).

গুৱাহাটীৰ পৰা প্ৰকাশিত *জোনাকী*ৰ দ্বিতীয় বছৰৰ প্ৰথম সংখ্যাত [1902, জানুৱাৰী) গল্পকাৰ হিচাপে শৰৎ চন্দ্ৰ গোস্বামীয়ে আত্মপ্ৰকাশ কৰিছিল। 1902 চনৰ জানুৱাৰীত প্ৰকাশিত 'জোনাকী'ৰ পাতত গোস্বামীৰ 'গেৰিক্লিষ্ট' নামৰ অনূদিত গল্প ওলাইছিল। পাছৰ সংখ্যাত তেওঁৰ মৌলিক গল্প 'প্ৰভাৱতী' প্ৰকাশ পায়। এই গল্পটোকে তেওঁৰ প্ৰথম গল্প হিচাপে স্বীকৃতি দিব পাৰি। বহু সমালোচকে 'যাত্ৰী' গল্পটি গোস্বামীৰ প্ৰথম গল্প বুলি ক'ব খোজে যদিও সময়ৰ পিনৰ পৰা 'প্ৰভাৱতী' আগতে ৰচিত। তদুপৰি চুটিগল্প হিচাপে দুয়োটা গল্পই সমধৰ্মী। *জোনাকী*ৰ পাছত *ঊষা, বাঁহী, চেতনা, আসাম বান্ধৱ, আলোচনী* আদি আলোচনীত গোস্বামীয়ে সাহিত্য-চৰ্চা কৰা দেখা যায়। সাহিত্যৰ বিভিন্ন শাখাত হাত দিলেও মুখ্যতঃ এগৰাকী গল্পকাৰ আৰু শিক্ষাবিদ হিচাপেই গোস্বামী জনাজাত। বেজবৰুৱাৰ হাতত জন্মলাভ কৰা অসমীয়া চুটিগল্পৰ বিকাশ আৰু প্ৰতিষ্ঠাৰ ক্ষেত্ৰত গোস্বামীয়ে সুদূৰপ্ৰসাৰী ভূমিকা গ্ৰহণ কৰিছিল। গল্পকাৰ হিচাপে বেজবৰুৱাৰ সৈতে একে শাৰীৰ নহ'লেও গোস্বামীৰ গল্পৰ এটি সুকীয়া আবেদন আছে।



অগ্ৰগতি নিৰীক্ষণ

১ নং প্ৰশ্ন ঃ শৰৎ চন্দ্ৰ গোস্বামীৰ সাহিত্য-কৃতিৰ এটি পৰিচয় দাঙি ধৰক। [200 টা শব্দৰ ভিতৰত)

৬.৩.১ শৰৎ চন্দ্ৰ গোস্বামীৰ গল্পৰ প্ৰধান বৈশিষ্ট্যসমূহ

জোনাকী যুগত গল্পকাৰ হিচাপে আত্মপ্ৰকাশ কৰা শৰৎ চন্দ্ৰ গোস্বামীয়ে আৱাহন যুগলৈকে গল্প লিখিবলৈ লৈছিল। অৱশ্যে আৱাহন যুগৰ গল্পৰ বিষয়বস্তু, ৰচনাশৈলী আদিৰ প্ৰভাৱ গোস্বামীৰ গল্পত বিশেষ দেখা নাযায়। গোস্বামীৰ গল্প জোনাকী যুগৰ গল্পৰ দৰেই মূলতঃ আখ্যানধৰ্মী আছিল। আখ্যান বা কাহিনীৰ মাজেদিয়ে গল্পৰ মূল তত্ত্ব বা বক্তব্য দাঙি ধৰিছিল। তেওঁ গল্পৰ কেন্দ্ৰস্থ ভাবৰ প্ৰতি সততে চকু ৰাখিছিল। কিছুমান গল্পত সাধুকথাৰ প্ৰভাৱ কিছু পৰিমাণে দেখা যায়। 'দুই-ভাই', 'অদৃষ্ট', 'মালিনী' আদি গল্প সাধুকথাৰ দৰেই সহজ-সৰল যদিও অবাস্তৱতা বা অলৌকিকতাৰ স্থান তাত নাই। মুঠতে গোস্বামীৰ গল্পত বেজবৰুৱাৰ দৰে সাধুকথাৰ প্ৰভাৱ বেছিকৈ পৰা দেখা নাযায়। দুয়োগৰাকী গল্পকাৰৰ গল্পতেই সমাজ-সংস্কাৰৰ প্ৰৱণতা বিশেষভাৱে পৰিলক্ষিত হয়। সমাজৰ অন্যায়-অবিচাৰ, হৃদয়হীনতা, নীচতা, ভণ্ডামি, কুসংস্কাৰ, জাত-পাত আদি আঁতৰাই এখন সুস্থ সমাজ স্থাপনৰ আকুলতা গল্পসমূহৰ মাজেদি ফুটি উঠিছে। এই ক্ষেত্ৰত বেজবৰুৱাৰ আক্ৰমণৰ বিষয় প্ৰধানতঃ ভেম আৰু ভণ্ডামি থকাৰ দৰে, গোস্বামীৰ গল্পত মূল বিষয় অন্যায় আৰু অবিচাৰ হোৱা দেখা যায়। সামাজিক অন্যায়-অবিচাৰ, ভণ্ডামিৰ ক্ষেত্ৰত গোস্বামীৰ 'ঘুনুচা' গল্পৰ নাম বিশেষভাৱে ল'ব পাৰি। তেনেদৰে জাত-পাতৰ সমস্যাৰ কথা 'দেখাদেখি' গল্পত দাঙি ধৰিছে। 'সুভা' গল্পত নৈতিকতাবোধৰ প্ৰকাশ বিশেষভাৱে পৰিলক্ষিত হয়। তেনেদৰে 'প্ৰভাৱতী', 'মালিনী', 'তৰা', 'নৈৰ দাঁতিত' আদি গল্পসমূহত প্ৰেমৰ বিভিন্ন অভিব্যক্তিৰ প্ৰকাশ ঘটিছে। বিধৱাসকলৰ জীৱনৰ কাৰুণ্য 'ঘুনুচা', 'নৈৰ দাঁতিত' আদি গল্পসমূহৰ মাজেদি গল্পকাৰে মৰ্মস্পৰ্শীভাৱে প্ৰকাশ কৰিছে। তদুপৰি গোস্বামীৰ প্ৰায়বোৰ গল্পতে নিয়তিৰ ক্ৰূৰ পৰিহাসৰ ছবি অঙ্কন হোৱা দেখা যায়। মন কৰিবলগীয়া কথা যে সমাজ সংস্কাৰৰ ক্ষেত্ৰত বেজবৰুৱাই যিদৰে তীব্ৰ ব্যঙ্গৰ সহায় লৈ হাস্যৰসৰ মাজেদি আগবাঢ়িছিল, গোস্বামীয়ে তেনেদৰে আগবঢ়া নাই। গোস্বামীৰ গল্পত ব্যঙ্গ কিছু আছে যদিও তাৰ ব্যৱহাৰ সীমিত। তদুপৰি তেওঁ সমাজৰ কাকো বিশেষভাৱে ব্যঙ্গ-বিদ্ৰূপেৰে থকা সৰকা কৰা নাই। তেওঁৰ গল্পত হাস্যৰস সৃষ্টিৰ প্ৰচেষ্টা বৰ কম। তাৰ সলনি কৰুণ ৰস সৃষ্টিৰ প্ৰতিহে বিশেষভাৱে চকু দিয়া দেখা যায়। এই প্ৰসঙ্গত ত্ৰৈলোক্য নাথ গোস্বামীৰ মত প্ৰণিধানযোগ্য— "বেজবৰুৱাৰ দৰে সংস্কাৰকামী মনোভাৱ শৰৎ চন্দ্ৰ গোস্বামীৰো

আছে, কিন্তু বেজবৰুৱাৰ দৰে প্ৰচণ্ড বাক্য প্ৰৱাহৰ বা-মাৰলীৰ আগত সমাজৰ আৱৰ্জনাবোৰ ছিটিকি আকাশৰ ওপৰলৈ উঠা নাই।" বেজবৰুৱাৰ দৰে গোস্বামীৰ গল্পত দীঘলীয়া বাক্যবিন্যাস দেখা নাযায়। গোস্বামীৰ বাক্‌ভঙ্গী সহজ-সৰল। বেজবৰুৱাই দুই-চাৰিটা গল্পত চৰিত্ৰ-চিত্ৰণত গুৰুত্ব দিয়াৰ দৰে গোস্বামীৰ গল্পত চৰিত্ৰৰ বিকাশ ঘটা সাধাৰণতে দেখা নাযায়। তেওঁ 'নদৰাম', 'তৰা', 'সুভা', 'মালিনী', 'প্ৰভাৱতী', 'ঘুনুচা' আদি চৰিত্ৰৰ নামকৰণেৰে কিছু সংখ্যক চৰিত্ৰপ্ৰধান গল্প ৰচনা কৰিছে যদিও গল্পসমূহত চৰিত্ৰৰ বিকাশ ঘটা সাধাৰণতে পৰিলক্ষিত নহয়। অৱশ্যে গোস্বামীৰ গল্পৰ চৰিত্ৰসমূহ মাটি-পানীৰ মানুহ হিচাপে দোষ-গুণৰ সমষ্টিৰে চিত্ৰিত। অতিৰঞ্জিত ৰং বোলাই বা উপমা-অলঙ্কাৰসমৃদ্ধ ভাষাৰে বৰ্ণনা কৰি আনৰ চকুত চমক লগোৱাৰ প্ৰচেষ্টা তেওঁৰ গল্পত দেখা নাযায়।

শৰৎ চন্দ্ৰ গোস্বামীৰ গল্পত বিষয়বস্তুৰ বিচিত্ৰতা থকা দেখা যায়। সমাজৰ উদাসীনতা, নৃশংসতা, মানুহৰ অন্যায়-অবিচাৰ, জীৱনৰ কাৰুণ্য, নিয়তিৰ ক্ৰূৰ পৰিহাস, দলিত-নিপীড়িতৰ প্ৰতি সহানুভূতি, প্ৰেমৰ নানা অভিব্যক্তি আদি তেওঁৰ গল্পত বিশেষভাৱে ফুটি উঠা পৰিলক্ষিত হয়। সত্যেন্দ্ৰনাথ শৰ্মাই তেওঁৰ গল্পৰ বিশেষত্ব সম্পৰ্কে দিয়া মন্তব্য প্ৰণিধানযোগ্য— "বৰ্ণিত ব্যক্তিৰ সুখ-দুখ, ভাগ্যৰ হাতত অসহায়তা, দুৰ্বলতা আৰু মানৱীয় ভাব-অনুভূতিৰ চিত্ৰণে তেওঁৰ গল্পত প্ৰাধান্য লাভ কৰিছে। পীড়িতৰ প্ৰতি, অসহায়ৰ প্ৰতি, আনকি ইতৰ প্ৰাণীৰ প্ৰতিও সহানুভূতিসূচক মনোবৃত্তি তেওঁৰ সৰহভাগ গল্পত প্ৰকাশ হৈছে।"

গাঁৱলীয়া পটভূমিৰেই তেওঁৰ বেছিভাগ গল্প প্ৰতিষ্ঠিত। দুই-চাৰিটা গল্পত অসামাজিক যৌন অভিব্যক্তিও দেখা যায়; কিন্তু ৰুচি-বিগৰ্হিত প্ৰয়াস তেওঁৰ গল্পত দেখা নাযায়। গোস্বামীৰ গল্পত কাহিনীৰ ৰূপৰেখা সহজ-সৰল আৰু প্ৰকাশভঙ্গীও তেনেদৰেই স্বাভাৱিক। বাক্‌ভঙ্গীৰ সৰলতা তেওঁৰ গল্পৰ অন্যতম বিশেষত্ব।

গল্পাঞ্জলিত সন্নিৱিষ্ট সৰহসংখ্যক গল্পতেই প্ৰেমৰ নানা অভিব্যক্তি দেখা যায়। তেনেদৰে 'পৰিদৰ্শন' গল্প-সংগ্ৰহটিক লঘু গল্পৰ সমাহাৰ বুলি ক'ব পাৰি। এই গল্পসমূহ সমালোচনাত্মক বা ব্যঙ্গধৰ্মী বুলিব পাৰি। গোস্বামীয়ে জীৱনৰ সৰহ সময় শিক্ষা বিষয়া হিচাপে অতিবাহিত কৰি লাভ কৰা অভিজ্ঞতাসমূহৰ চিত্ৰণ *পৰিদৰ্শনৰ* অন্তৰ্গত গল্পসমূহত দেখা যায়। গোস্বামীৰ গল্প কিছুমানত বৌদ্ধ ধৰ্ম আৰু আখ্যানৰ প্ৰভাৱ পৰা পৰিলক্ষিত হয়। 'বুদ্ধদেৱ', 'নাট' আৰু 'মালিনী' গল্পৰ কথা এই ক্ষেত্ৰত আঙুলিয়াব পাৰি। নৈতিকতাবোধ আৰু মানৱীয় দৃষ্টিভঙ্গীৰ প্ৰকাশ ভালেমান গল্পত দেখা যায়। শৰৎ চন্দ্ৰ গোস্বামীৰ গল্পৰ মূল সুৰ কৰুণ। এই কাৰুণ্য চৰিত্ৰসমূহৰ ভুল-ভ্ৰান্তিৰ পৰা উদ্ভৱ হোৱাৰ লগতে বহুক্ষেত্ৰত ভাগ্যৰ ক্ৰূৰ পৰিহাসৰ পৰাহে সি উদ্ভুত। জীৱন যুদ্ধত চৰিত্ৰসমূহে সামাজিক অপশক্তি আৰু কুসংস্কাৰৰ দ্বাৰা নিষ্পেষিত হোৱাৰ পাছত ভাগ্যৰ দ্বাৰা আকৌ নিগৃহীত হৈছে।

নিয়তি বা অদৃষ্টৰ প্ৰভাৱ মানৱ জীৱনৰ কাৰুণ্য মূল কাৰক হিচাপে প্ৰায়ভাগ গল্পতেই দাঙি ধৰা হৈছে। অৱশ্যে তাৰ লগতে সামাজিক অন্যায়-অবিচাৰ, সমাজৰ উদাসীনতা, নিষ্ঠুৰতা, কু-সংস্কাৰআদিও জীৱনৰ কাৰুণ্যৰ অন্যতম কাৰক হিচাপে চিত্ৰিত হৈছে। জীৱনৰ কাৰুণ্যই তেওঁৰ গল্পৰ মূল সুৰ।

ৰোমাণ্টিক চেতনা বা আদৰ্শাত্মক কথাৰ চিত্ৰ দাঙি ধৰাতকৈ বাস্তৱৰ আধাৰত চৰিত্ৰ, নিৰ্মাণ কৰি কাহিনী ৰচনাত গোস্বামীয়ে বিশেষভাবে গুৰুত্ব দিছিল। তদুপৰি চুটিগল্পৰ আঙ্গিকৰ প্ৰতিও তেওঁ সততে চকু ৰাখিছিল। এই প্ৰসঙ্গত সাহিত্য সমালোচক শৈলেন ভৰালীয়ে কৈছে— "ৰেজৰৰুৱাৰ ৰোমাণ্টিক চেতনাৰ বিপৰীতে গোস্বামীৰ গল্পত আছে বাস্তৱমুখী চেতনা। ৰোমাণ্টিক চেতনা তেওঁৰ গল্পতো নথকা নহয়। কিন্তু ৰোমাণ্টিক চেতনাতকৈ বাস্তৱ চেতনাইহে তেওঁৰ গল্পত অধিক পৰিমাণে ক্ৰিয়া কৰিছে। ঘটনাৰ ঐক্য, লক্ষ্যৰ একমুখিতা, পৰিণতিৰ নাটকীয়তা আৰু ভাষাৰ সৰলতা তেওঁৰ গল্পৰ লক্ষ্যণীয় বৈশিষ্ট্য। মান্য ভাষাৰ লগত কামৰূপী উপভাষাৰ শব্দ সংযোজন তেওঁৰ গল্পৰ অন্য এক বৈশিষ্ট্য।"



অগ্ৰগতি নিৰীক্ষণ

২ নং প্ৰশ্ন ঃ শৰৎ চন্দ্ৰ গোস্বামীৰ গল্পৰ বিশেষত্বসমূহ কি কি, চমুকৈ লিখক। [300 টা শব্দৰ ভিতৰত)

৬.৪ 'ঘুনুচা'

৬.৪.১ গল্পটোৰ মূল পাঠ

ঘুনুচা

(1)

বাৰিষাৰ দিন। মনে মনে সূৰ্য্যদেৱে কেতিয়া বুৰ মাৰিলে ভালকৈ কোনোৱে কবই নোৱাৰিলে! কেন্‌কেনীয়া বৰষুণ পৰিছে— ঝাপ্ ঝাপ্ ঝূপ্ ঝূপ্। বাটৰ কাষৰ সৰু সৰু বন আৰু গছৰ জোপবোৰত শব্দ হৈছে— ঝাপ্ ঝাপ্ ঝূপ্ ঝূপ্।আকাশ মেঘেৰে ঢাকা, তলত ভিজা মাটি, মাজে মাজে বা পানী, মাজে মাজে বা বোকা। নৈৰ ওচৰৰ সৰু বাটটিয়েদি এজনী তিৰোতা যাব লাগিছে। মূৰত আঁচলৰ এক লোচ দি বৰষুণৰ বিৰুদ্ধে যুদ্ধত সাজু হৈছিল, কিন্তু বৃষ্টি-দেৱতাই তিৰোতাজনীৰএনে ধৃষ্টতা দেখি অত্যন্ত কূপিত হৈ তেওঁৰ গোটেই কাপোৰ-কানি তিয়াই পেলাইছে। খোজ দিছে খৰকৈ, যেন কোনো বিশেষ কাজ আছে। প্ৰথম দেখাত এওঁক 30ঁ35 বছৰীয়া যেন দেখি, কিন্তু অলপ ভালকৈ চালে বুজিব পাৰি মানুহজনীৰ বয়স 25ঁ26ৰ ভিতৰতে, হয়তো কিবা কষ্ট বা বেমাৰত এনে অৱস্থা পাইছে। দেখাত যে বৰ ধুনীয়া এনে নহয়, কিন্তু ভাল

অৱস্থাত থাকিলে মুনিজন-মনোমোহিনী নহওক, বিশেষণ-বিহীন সুন্দৰী আখ্যাৰ উপযোগ্য। নদীৰ পাৰে পাৰে গৈ তেওঁ এটি সৰু খেৰৰ ঘৰ পালে; নৈৰ ওচৰতে, চাৰিওফালে বাৰীৰ নিচিনা অলপ হাবি-বন। খাব নোপোৱা মানুহৰ হাতৰ নিচিনা, ঘৰটিৰ ছালৰ কামিবোৰ ওলাইছে। লেপি দিয়া বটাৰ বেৰবোৰৰ তলৰ ভাগটি মাটিয়ে খোৱা, প্ৰায় মাটিয়েই বতাহ-বৰষুণ আৰু পোকা-পৰুৱাৰ অত্যাচাৰত খহি পৰিছে। চোতালখন সৰু, অপষ্কাৰ, শেলাইৰে ভৰা। এটি কোণত চাৰিটি তাঁতশালৰ খুঁটা পোতা। তিৰোতাজনী আহি এই চোতালত থিয় দিলে, আৰু কাতৰ স্বৰে মাতিলে, "উঃ ৰাম! বাবা ঐ!" ঘৰৰ ভিতৰৰ পৰা পোহৰৰ ক্ষীণ ৰেখাৰ লগত ৰোগীৰ বেদনাসূচক এটি অস্ফূট ধ্বনি শুনা গ'ল।

(2)

এই ঘৰটি তিৰোতাজনীৰ। তেওঁৰ সংসাৰৰ একমাত্ৰ সম্বল, 5û6 বছৰীয়া পুতেক মণিৰাম। আজি 12 দিন পুতেকৰ জ্বৰ, প্ৰথমতে দুই-চাৰি দিন অলপ এৰা-পৰা কৰিছিল, কিন্তু আজি 8û9 দিন ল'ৰাটিক একেটা জ্বৰে পুৰি মাৰিব ধৰিছে। একো দিহা নাপাই দুখুনী বিধৰা মাকে আজি কবিৰাজৰ ওচৰলৈ গৈছিল। কবিৰাজক ঘৰলৈ আনে, এনে সম্বল তেওঁৰ নাই, কাৰৌ-কাকূতি কৰি যদি এটি বৰি আনিব পাৰে, এই আশা। কবিৰাজবিলাক যে দুখীয়াৰ প্ৰতি কেনে সদয় তাক তেওঁৰ ভাল জনা আছিল, সেই দেখি হাতৰ খাৰু চাৰিপাত বেচি সিকি এটি দিহা কৰি নিছিল আৰু আহোঁতে ৰাতি হব জানি ঘৰত চাকিটি জ্বলাই থৈ গৈছিল।

(3)

মানুহজনীৰ নাম ঘুনুচা। ঘুনুচাৰ ভাগ্য চিৰদিনে এনে নাছিল। অতীতত তেওঁ ধনীৰ জীয়েক, ধনীৰ বোৱাৰীয়েক আৰু ধনীৰ ঘৈণীয়েক আছিল। কিন্তু "নীচৈর্গচ্ছত্যুপৰি চ দশা চক্ৰনেমিক্ৰমেণ" —ৰথৰ চকৰিৰ নিচিনা ভাগ্য কেতিয়াবা ওপৰলৈ উঠে, কেতিয়াবা বা তললৈ নামে। সংসাৰত সুখীৰো দুখহয়, দুখীৰো সুখ হয়, ধনীয়ো নিৰ্ধন হয়, নিৰ্ধনো ধনী হয়। সৰু কালত সুখত লালিত-পালিত হোৱা ঘুনুচাৰ উপযুক্ত বয়সত উপযুক্ত স্বামীৰ লগত বিয়া হয়, তেতিয়া তেওঁৰ সুখ আৰু সৌভাগ্য দহজনৰ ঈৰ্ষাৰ বিষয় আছিল। কিন্তু কালচক্ৰে তেওঁৰ পিতৃ আৰু শহুৰ কুলৰ সকলোকে মৃত্যুৰ তলত পেলাই, তেওঁকে দুখৰ বোজা বৈ থাকিবলৈ এই সংসাৰৰ ওপৰত তুলি থৈ গ'ল। যেতিয়া তেওঁৰ স্বামীৰ মৃত্যু হয়, তেতিয়া ঘুনুচা গৰ্ভৱতী। সময়ত তেওঁৰ এটি পুত্ৰ সন্তান ভূমিষ্ঠ হ'ল, ঘুনুচাই দুখৰ ভিতৰতো, মেঘৰ ভিতৰত বিজুলীৰ নিচিনা, এটি সুখৰ ৰেখা দেখা পালে, দূৰৈত এটি আশাৰ দীপ জিলিকিল।

কিন্তু হিংসা আৰু লোভৰ প্ৰৱল বতাহে সেই আশা দীপটিক অকালতে নুমাই পেলাবৰ উপক্ৰম কৰিলে। ঘুনুচাৰ এজন দেৱৰ আছিল— তেওঁ ঘুনুচাৰ খুড়া-শহুৰেকৰ পুতেক। যেতিয়া ঘুনুচাৰ আপোনাৰ বুলিবৰ সকলো জহনী ৰোগত মৰি গল, তেতিয়া

এৰেঁই তেওঁৰ সম্পত্তিৰ প্ৰথম চৰিক হ'ল। সম্পত্তিৰ লোভত প্ৰথমতে কিছুমান দিন ঘুনুচাক বৰ আদৰ-যত্ন কৰিলে। কিন্তু বৌৰেকক গৰ্ভৱতী জানি তেওঁৰ শান্তি নোহোৱা হ'ল, —গৰ্ভত থকা শিশু যদি সম্পত্তিৰ উত্তৰাধিকাৰী হয়। ভূমিস্থ হোৱাৰ আগেয়ে সেই শিশু নষ্ট কৰিবলৈ প্ৰথমতে বহুত যত্ন কৰিও কৃতকাৰ্য্য নহ'ল। তেতিয়াও আশা আছিল— যদি ছোৱালী হয়। কিন্তু যেতিয়া দূৰদৃষ্টক্ৰমে ঘুনুচাই পুত্ৰ সন্তানহে প্ৰসৱ কৰিলে, তেতিয়া সুগুণসম্পন্ন দেৱৰৰ মনত যেন জুইহে জ্বলিল। গাঁৱৰ মেলেকীসকলৰ লগ লাগি ঘুনুচা দুশ্চৰিত্ৰা আৰু তেওঁৰ পুত্ৰ জহৰা তাক প্ৰমাণ কৰিবলৈ চেষ্টা কৰিবলৈ ধৰিলে। টকা পালে মেলেকীসকলৰ অসাধ্য কাম জগতত একো নাই, গতিকে প্ৰমাণ হল, ঘুনুচাৰ পুত্ৰ জহৰা, তেওঁ দুশ্চাৰিণী, সুতৰাং সকলো সম্পত্তি তেওঁৰ দেৱৰৰ। চব ডেপুটী চাহাবৰ ওচৰত নামজাৰিৰ দৰখাস্ত পৰিল, খাটিৰ আৰু ভেটিৰ জোৰত নামজাৰি হল। সহায়-সম্পদ-বিহীনা ঘুনুচা লাঞ্ছিতা, বঞ্ছিতা আৰু পৰিত্যক্তা হৈ নৈৰ পাৰত এই ঘৰটিত দুবছৰৰ শিশু সন্তান মণিৰামক বুকুত বান্ধি লৈ বাস কৰিবলৈ ধৰিলে। আইন অনুসৰি পাবলগীয়া সম্পত্তি নাপালে। দুখীয়াৰনো আইন-কানুন কি!

(4)

লাহে লাহে তিনটি বছৰঅনন্ত কাল-সাগৰত টোৰ নিচিনাকৈ বিলয় হল। তাৰ লগে লগে সুখী দুখী হল, দুখী সুখী হল, ৰোগী আৰোগ্য হল, নিৰোগীৰ ৰোগ হল, কিন্তু ঘুনুচাৰ হলে দুখৰ অন্ত নপৰিল। এই তিনি বছৰ খুজি-মাগি শিশু সন্তানটিক পোহ-পাল দি আছিল, —এতিয়া তাৰ জ্বৰ হল। হাতৰ-কাণৰ যি আছিল সকলো খৰচ কৰি সেই জ্বৰ এৰুৱালে। কিন্তু জ্বৰৰ পিছত সুপথ্য আৰু উপযুক্ত চিকিৎসাৰ অভাৱত, সেই জ্বৰ নাড়ীত বহি জীৰ্ণ জ্বৰ হল। ইফালে খাবৰ যোগাৰ ঘৰত নাই, ঘুনুচাই এমুঠি খুজি নানিলেও নহয়। যেতিয়া খুজিবলৈ যাব, তেতিয়া মণিৰামে গাঁৱৰ আন আন লৰাৰ লগ লাগি আম, কঁঠাল, তিঁয়হ প্ৰভৃতি কুপথ্যৰ শ্ৰাদ্ধ কৰে। কাজে কাজেই সেই জীৰ্ণ জ্বৰ, কলা-জ্বৰত পৰিণত হ'ল। পেটত প্লীহা-যকৃতো দেখা দিলে। দিনে দিনে পেট ওলাই, হাত-ভৰি-ডিঙি চিচা হৈ আৰু চকু গাঁতত বহি যাবলৈ ধৰিলে। বেয়া বস্তু খাবৰ ইচ্ছা হল, শৰীৰৰ বৰণ ক'লা হল। সংক্ষেপতে কলা-জ্বৰৰ সকলো লক্ষণে দেখা দিলে। দেখোঁতে দেখোঁতে মণিৰাম নদন-বদন লৰাটি গুচি পিশাচৰ নিচিনা অতি ভয়ঙ্কৰ আকৃতিৰ হৈ পৰিল। পুতেকৰ এনে ভয়ানক অৱস্থা দেখি ঘুনুচাৰ ধাতু উৰিল। আগৰ দিনৰ পাটৰ ৰিহা-মেখেলা দুজোৰমান আৰু স্বামীৰ প্ৰথম সন্মিলনত পোৱা সোণৰ আঙঠি এটি আছিল। স্বামীৰ সোঁৱৰণী বুলি এই বস্তুখিনি ঘুনুচাই প্ৰাণান্তিকেও ৰাখিছিল। কিন্তু এতিয়া সকলো ফালে নিৰুপায় হৈ ওচৰৰ কবিৰাজ এটিক সোপাই সমৰ্পণ কৰি চিকিৎসা কৰিবলৈ খাটিলে। এমাহমান ঔষধ-পাতি খুৱাই কবিৰাজ ডাঙৰীয়াৰ বেচ আৰু বেজালি দুয়ো সাঙ্গ হল। তেওঁ এদিন আহে, এদিন নাহে,এনেকৈ আৰু দহ দিনমান থাকি, এদিনাখন ঘুনুচা তেওঁৰ ওচৰলৈ যাওঁতে কৈ পঠিয়ালে যে, ঘুনুচাৰ আঙঠি এটিৰ

বানচত তেওঁ কিমান দিন দৰব দিব, তাৰ মূল উঠি গৈছে, নতুন ঔষধ খুৱাব লাগিলে নতুন কেচ লাগিব। কবিৰাজৰ ভাব আছিল, ধনীৰ ঘৈণীয়েক ঘুনুচাৰ আৰু কিবা আছে। ঘুনুচাই মূৰে-কপালে হাত দি নিজৰ কপালকে সকলো দোষৰ ভাগী কৰি উলটি আহিল।

(5)

মণিৰামৰ বেমাৰ দিনক দিনে বেছি হৈ গৈছে, ইফালে ঘুনুচাৰো খাব-লবলৈ নাপাই শৰীৰ দিনক দিনে ক্ষীণাই আহিল। এনেতে এদিন নৈৰ পৰা গা ধুই আহোঁতে, তেওঁলোকৰ কুল-গুৰুক গা ধুই অহা দেখা পালে। ঘুনুচাই দুৰ্ভাগ্যৰ সময়ৰ পৰা গুৰুক লগ পোৱা নাছিল, আজি দেখা পাই কিবা উপায় পাব বুলি তেওঁৰ চৰণত দীঘল দি পৰিল। প্ৰথমতে গুৰুদেৱে 'ব্যভিচাৰিণীক' দেখি ৰাম-বিষ্ণু স্মৰণ কৰি কায কাটি যাব খুজিছিল, কিন্তু ঘুনুচাৰ কাৰৌ-কাকূতিত অল্প পিন্ন দিলে। ঘুনুচাই দুখৰ কাহিনী কলত, গুৰুদেৱে তেওঁৰ দুশ্চৰিত্ৰ আৰু সেই পাপৰপ্ৰতিফল সম্পৰ্কে এটি দীঘল বক্তৃতা শুনাই দিলে। ঘুনুচাই লাজ-অপমানৰ ওপৰত অপত্য স্নেহকে আসন দি সকলো সহি থাকিল। পাছত উপায় স্বৰূপে গুৰুৱে কলে যে, দেৱ-দ্বিজভক্তিত বাজে সংসাৰত কি আছে? "হৰিনাম কৰে সবাকো সুসঙ্গ" —সংসাৰত হৰি-ভক্তি গুৰু-বামুণৰ প্ৰতি শ্ৰদ্ধায়ে হৈছে আচল বস্তু। সেয়ে হলে সংসাৰৰ ৰোগ-শোক, পাপ-তাপে আৰু কি কৰিব পাৰে। ঘুনুচাই নাম-কীৰ্ত্তন পাঠ-স্বস্ত্যয়ন কৰক, গুৰু-ভকতক ভক্তি কৰক, তেনেহলে মণিৰাম দুদিনতে ভাল হব। সৰলা ঘুনুচাই গুৰুবাক্যকে সাৰোগত কৰি লৈ দেৱতা-গুৰু-বামুণকে পূজা-পাটল দি চাব খুজিলে। ঘুনুচাৰ দুখৰ কথা শুনি এজন বিদেশী পথিকে তেওঁক এটি টকা দি গৈছিল; তেওঁ সেই টকাটি আনি গুৰুৰ চৰণত সমৰ্পণ কৰিলে। গুৰুদেৱে বাৰিষাৰ বৰষুণৰ নিচিনা আশীৰ্বাদৰ অজস্ৰ ধাৰ পেলাই প্ৰস্থান কৰিলে।

কিন্তু দুখুনী ঘুনুচাৰ কতো দুখৰ অন্ত নপৰিল। খুজি-মাগি আনি কিমান নৈবেদ্য, কিমান কল-গাখীৰ দেৱতা গুৰু-বামুণক খুৱালে, তথাপি দুখুনীৰ কামনা নুপুৰিল। পাঠৰ যত্ন, নৈবেদ্যৰ প্ৰসাদ, গুৰু-বামুণৰ উচ্ছিষ্ট কাৰো মণিৰামৰ জ্বৰ ভাল কৰিবৰ শক্তি নহল। চাই থাকোঁতে থাকোঁতে এদিন পুৱা মণিৰামে দুখুনী মাকক দুখ সাগৰত তল পেলাই ইহ সংসাৰৰ পৰা বিদায় ললে। হাঁয়, ঘুনুচা! সংসাৰৰ শেষ সম্বল একেটি ৰতন, সিও তোমাৰ ভাগ্যত নাই।

(6)

এতিয়া ঘুনুচা নাই, মণিৰামো নাই, ঘুনুচা বা মণিৰামৰ কোনো আত্মীজনো নাই। কিন্তু নৈৰ পাৰৰ সেই ঠাইখিনিত এজনী পাগলী বহি বহি মাটিৰ দেৱতা-বামুণ গঢ়ি তাৰ ওপৰত নানা প্ৰকাৰৰ অত্যাচাৰ কৰা বহু দেখিছে, আৰু মাজে মাজে নৈশ নিস্তব্ধতা ভেদ কৰি কান্দোনৰ কাতৰ স্বৰ আকাশ ছানি উঠাও বহুতে শুনিছে।

৬.৪.২ গল্পটোৰ কাহিনীভাগ

'ঘুনুচা' শৰৎ চন্দ্ৰ গোস্বামীৰ এটি অন্যতম সফল আৰু জনপ্ৰিয় গল্প। 'ঘুনুচা' ধনীৰ জীয়াৰী, ধনীৰ বোৱাৰী আৰু ধনীৰ পত্নী আছিল। কিন্তু মানুহৰ জীৱনত ভাগ্য সদায় সুপ্ৰসন্ন হৈ নথকাৰ দৰে ঘুনুচাৰ ভাগ্যও সদায় অনুকূল নাছিল। বিয়াৰ কিছুদিন পাছতে ঘুনুচা বিধৱা হয়। জহনীত পিতৃ আৰু শহুৰ কুলৰ সকলোৰে মৃত্যু হোৱাত ঘুনুচা এই সংসাৰত অকলশৰীয়া হৈ পৰে। কিন্তু দুখৰ মাজতো এটি আশাই ঘুনুচাৰ আশাৰ বন্তিগছি জ্বলাই ৰাখিছিল। সেই সময়ত ঘুনুচা অন্তঃসত্ত্বা আছিল। ঘুনুচাৰ এজন দেৱৰ আছিল, যিজন তেওঁৰ খুৰা-শহুৰৰ পুতেক। ঘুনুচাৰ সা-সম্পত্তিৰ গৰাকী সি হ'ব পাৰিব বুলি প্ৰথমতে তেওঁক বহুত আদৰ-সাদৰ কৰিছিল। কিন্তু যেতিয়া ঘুনুচা গৰ্ভৱতী বুলি জানিলে, লোভ আৰু স্বাৰ্থপৰতাত বশৱৰ্তী হৈ দেৱৰজনে ঘুনুচাৰ গৰ্ভস্থ সন্তান নষ্ট কৰিবলৈ উঠিপৰি লাগে। অশেষ চেষ্টা কৰিও তাত সফল হ'ব নোৱাৰি ভাৰ-ভেটি আৰু টকা-পইচৰে গাঁৱৰ মেলেকীসকলক হাত কৰি লৈ মেল পাতিলে। মেলত ঘুনুচাক দুশ্চাৰিণী আৰু সন্তানটো জহৰা বুলি ৰায় দি সকলো সা-সম্পত্তি দেৱৰজনক গতাই দিলে। নামজাৰিৰ বাবে মেলেকীসকলে ছাব-ডেপুটি চাহাবৰ ওচৰত দৰ্খাস্ত দিলে। আইনমতে পাবলগীয়া সম্পত্তিও ঘুনুচাই হেৰুৱালে। সমাজৰ দ্বাৰা লাঞ্ছিতা, বঞ্চিতা আৰু পৰিত্যক্তা হৈ ঘুনুচাই পুত্ৰ মণিৰামৰ লগত নদীৰ পাৰত এটি জুপুৰিত থাকিবলৈ ল'লে। কিন্তু ইমানতো ঘুনুচাৰ দুখৰ অন্ত নপৰিল। ঘুনুচাৰ জীৱনৰ একমাত্ৰ সম্বল, আশা-ভৰসাৰ থল, চকুৰ মণি মণিৰামৰ জ্বৰ হ'ল, সুপথ্য আৰু সুচিকিৎসাৰ অভাৱত জ্বৰ দিনে দিনে বাঢ়ি গ'ল। ঘুনুচাই ইমানদিনে সাঁচি ৰখা গিৰিয়েকৰ মৰমৰ দান সোণৰ আঙঠি, দুযোৰমান পাট-কাপোৰ, হাতৰ-কাণৰ আ-অলঙ্কাৰ সকলো বেচি মণিৰামৰ চিকিৎসাৰ বাবে কবিৰাজৰ ওচৰলৈ গ'ল। এমাহমান ঔষধ দি কবিৰাজে ঘুনুচাৰ পৰা আকৌ টকা-পইচা বিচাৰি ঔষধ দিবলৈ এৰিলে। আনহাতে, ঘুনুচাই ইঘৰ-সিঘৰত খুজি-মাগি খোৱাৰ ব্যৱস্থা কৰি থকাৰ সময়ত মণিৰামে গাঁৱৰ অন্য ল'ৰাৰ লগত লগ লাগি আম, জাম, কঁঠাল আদি কুপথ্যসমূহ ভক্ষণ কৰাৰ ফলত সেই জ্বৰ নাড়ীত বহি কলা জ্বৰলৈ ৰূপান্তৰ হ'ল। পুতেকৰ এনে অৱস্থা দেখি ঘুনুচাৰ ধাতু উৰিল। উপায়ন্তৰ হৈ নিজৰ কপালকে ধিয়াই কাৰৌ-কাকূতি কৰি কবিৰাজক সৈমান কৰিব বিচাৰিলে। কিন্তু ফল একো নিদিলে।

এনেতে এদিন নদীত গা ধুই আহোঁতে ঘুনুচাই কুলগুৰুক দেখা পালে। বিপদৰ সময়ৰ পৰা ঘুনুচাই তেওঁৰ সাক্ষাৎ পোৱা নাছিল। গুৰুৰ চৰণত দীঘল দি পৰি ঘুনুচাই কিবা উপায় পাব বিচাৰিলে। গুৰুৱে প্ৰথমতে 'দুশ্চাৰিণী' বুলি ৰাম-বিষ্ণু স্মৰি আঁতৰি যাব খুজিছিল। কিন্তু ঘুনুচাৰ কাৰৌ-কাকূতিত কিছু ৰ'ল আৰু ঘুনুচাৰপাপৰ শাস্তি স্বৰূপে এনেকুৱা দুৰ্ভাগ্য হোৱা বুলি দীঘল ভাষণ এটি দি শুনালে। ঘুনুচাই পুত্ৰস্নেহৰ বাবে

সকলো অপমান সহ্য কৰি থাকিল। শেষত গুৰুৱে দেৱ-দ্বিজ, হৰি-ভকত আৰু বামুণক সেৱা-শুশ্ৰূষা কৰিবলৈ উপদেশ দিলে। ঘুনুচাই বিদেশী মানুহ এজনে তাইক দিয়া এটকা এটা আনি গুৰুৰ চৰণত অর্পণ কৰাত গুৰুৱে আশীর্বাদৰ অজস্ৰ ধাৰ নিছিগা কথা কৈ প্ৰস্থান কৰিলে। গুৰুৰ কথামতে খুজি-মাগি আনি কল-গাখীৰেৰে দেৱ-দ্বিজ আৰু হৰি-ভকতক খুৱালে। কিন্তু একোৱে মণিৰামৰ জ্বৰ ভাল কৰিব নোৱাৰিলে আৰু এদিন মণিৰামে ইহ-সংসাৰৰ পৰা বিদায় ল'লে। একমাত্ৰ পুত্ৰৰ অকাল মৃত্যুত দুখ-সাগৰত পৰি ঘুনুচা বলিয়া হ'ল। নদীৰ পাৰত মাটিৰে দেৱতা-ব্ৰাহ্মণৰ মূৰ্তি সাজি তাৰ ওপৰত নানা অত্যাচাৰ কৰা বহুতো বাটৰুৱাই দেখিছে। সংক্ষেপতে এয়েই গল্পটোৰ কাহিনীভাগ।

৬.৪.৩ গল্পটোৰ চৰিত্ৰসমূহ

আমি ইতিমধ্যে কৈ আহিছোঁ যে জোনাকী যুগৰ সৰহ সংখ্যক গল্পই কাহিনী-মূলক আছিল। কিন্তু তাৰ মাজতে বেজবৰুৱা আৰু গোস্বামীয়ে দুই-চাৰিটা চৰিত্ৰপ্ৰধান চুটিগল্পও ৰচনা কৰিছিল। অৱশ্যে আজিকালিৰ চৰিত্ৰপ্ৰধান চুটিগল্পৰ পৰিৱেশ-পৰিস্থিতি, খণ্ডচিত্ৰ আদিতকৈ কাহিনীৰ মাজেদিহে সেইবোৰ গল্পত চাৰিত্ৰিক বৈশিষ্ট্য দাঙি ধৰা দেখা যায়। 'ঘুনুচা' গল্পটিত 'ঘুনুচা', 'ঘুনুচাৰ দেৱৰ', কবিৰাজ, গাঁৱৰ মেলেকীসকল আৰু কুলগুৰুৰ চৰিত্ৰ অঙ্কন কৰা হৈছে।

চুটিগল্প হৈছে বাস্তৱসম্মত কলা। গতিকে ইয়াৰ কাহিনী, চৰিত্ৰ, পৰিৱেশ আদিৰ চিত্ৰণ বাস্তৱানুগ হোৱাটো একান্তই বাঞ্ছনীয়। শৰৎ চন্দ্ৰ গোস্বামীৰ গল্পৰ চৰিত্ৰসমূহ বাস্তৱ জীৱনৰ পৰা বুটলি লোৱা। সেইবোৰ তেজ-মঙহ, মাটি-পানীৰে গঢ় দিয়া চৰিত্ৰ। লেখকে অতিৰিক্ত বর্ণনাৰে বা আদর্শ চৰিত্ৰ দাঙি ধৰি পাঠকৰ চকুত চমক লগোৱাৰ প্ৰচেষ্টা দেখা নাযায়। চৰিত্ৰ আৰু কাহিনীৰ বিকাশত তথা দুয়োটাকে অধিক বাস্তৱসম্মত কৰাত গল্পকাৰসকলে এটি বিশেষ কৌশল অৱলম্বন কৰা দেখা যায়। সেয়া হৈছে দ্বন্দ্ব বা সংঘাতৰ ৰূপায়ণ। শৰৎ চন্দ্ৰ গোস্বামীয়ে তেওঁৰ সৰহভাগ শ্ৰেষ্ঠ গল্পতেই এই কেশৱ প্ৰয়োগ কৰিছে। 'ঘুনুচা' গল্পটোতো ব্যক্তি আৰু সমাজৰ সংঘাতৰ যোগেদি 'ঘুনুচা'ৰ জীৱনৰ কথা দাঙি ধৰা হৈছে। অৱশ্যে আজিকালিৰ গল্পৰ দৰে তাত ঘুনুচাৰ মানসিক ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ কথা গল্পকাৰে দাঙি ধৰা নাই। ঘুনুচাৰ বাহিকে ক্ৰিয়া-আচৰণৰ যোগেদি পাঠকক অনুভৱ কৰিবলৈ এৰি দিছে মাথোন।

'ঘুনুচা' গল্পটিৰ কেন্দ্ৰীয় চৰিত্ৰ। ধনীৰ জীয়াৰী, ধনীৰ বোৱাৰী আৰু ধনীৰ ঘৈণীয়ক ঘুনুচাৰ ভাগ্য সদায় একে নাছিল। বিয়াৰ সময়লৈকে ঘুনুচাৰ সুখ-ঐশ্বৰ্য দেখি আন দহজনৰ ঈর্ষা হৈছিল। কিন্তু জহনী মহামাৰীত ঘুনুচাৰ পিতৃ আৰু শহুৰ কুলৰ আটায়ে প্ৰাণ ত্যাগ কৰাত ঘুনুচা অকলশৰীয়া হৈ পৰে। চৰম নিৰাশাৰ এই পৰিস্থিতিৰ মাজত ঘুনুচাৰ এটাই আশা আছিল যে আহিবলগীয়া সন্তানটিয়ে তাইৰ জীৱনৰ দুখ-নিৰাশা নোহোৱা কৰিব। ঘুনুচাৰ এজন দেৱৰ আছিল, তেওঁ ঘুনুচাৰ খুৰা-শহুৰেকৰ

পুতেক। দেৱৰজনে ঘুনুচাৰ সকলো সম্পত্তিৰ গৰাকী হ'ব পাৰিব বুলি মিছা মৰমেৰে বৰ আদৰ-সাদৰ কৰি ৰাখিলে। কিন্তু যেতিয়া ঘুনুচা সন্তানসম্ভৱা বুলি গম পালে, তেওঁৰ টোপনি নহা হ'ল। ঘুনুচাৰ গৰ্ভস্থ সন্তান নষ্ট কৰিবলৈ উঠি-পৰি লাগিল, কিন্তু সফল হ'ব নোৱাৰিলে। এগৰাকী বৌৱেক তথা বিধৱা নাৰীৰ জীৱনৰ শেষ আশা গৰ্ভস্থ সন্তানটোও নষ্ট কৰিবলৈ ওলোৱা দেৱৰজনৰ নীচ চৰিত্ৰৰ ইঙ্গিত ইয়াত ফুটি উঠিছে। ব্যক্তিগত লোভ-লালসাৰে চৰম নিষ্ঠুৰ হৈ উঠা দেৱৰজনৰ সামান্যতমো প্ৰকৃত মৰম-ভালপোৱা বা মানৱীয়তা দেখা নাযায়।বৰংগাঁৱৰ মেলেকীসকলক টকা-পইচাৰে হাত কৰি ঘুনুচাক ব্যভিচাৰিণী সজাই গৰ্ভস্থ সন্তানক অবৈধ অৰ্থাৎ জাৰজ বুলি প্ৰমাণ কৰালে। অসহায়া ঘুনুচাৰ সা-সম্পত্তি ভাৰ-ভেটিৰে নিজৰ নামত নামজাৰি কৰালে। ঘুনুচাৰ জীৱনৰ এনে চৰম বিপৰ্যয়ৰ সময়ত আত্মীয় হিচাপে দেৱৰজনে যি আচৰণ কৰিলে, সিয়ে তেওঁৰ নিষ্ঠুৰ হৃদয়ৰ, দুৰ্নীতিপৰায়ণ স্বভাৱৰ কথা দাঙি ধৰিছে। তেনেদৰে গাঁৱৰ মেলেকীসকলৰ ন্যায়পৰায়ণহীনতা, দায়িত্বহীনতাৰ লগতে স্বাৰ্থপৰতা, নিষ্ঠুৰতা আৰু লোভী স্বভাৱৰ কথা প্ৰকাশ পাইছে। এই ঘটনাৰ পৰা ঘুনুচা যে সংসাৰৰ আও-ভাও ভালকৈ বুজি নোপোৱা এগৰাকী সহজ-সৰল গাঁৱলীয়া মহিলা— তাক ভালকৈ বুজিব পাৰি। ভাৰতীয় সতী-সাধ্বী, পতিব্ৰতা নাৰীৰ প্ৰতিভূ হিচাপে ঘুনুচা চৰিত্ৰটি অঙ্কিত হৈছে। বিধৱা হোৱাৰ পাছতো পৰপুৰুষৰ প্ৰতি আকৰ্ষিত হোৱা নাই। অথচ সমাজে 'ব্যভিচাৰিণী' আখ্যা দি সমাজচ্যুত কৰাত যি ধৰণে প্ৰতিবাদ কৰিব লাগিছিল, তাৰ আভাস আমি দেখা নাপাওঁ। গতিকে, ন্যায়ৰ পক্ষে এগৰাকী প্ৰতিবাদ কৰিব নোৱৰা দুৰ্বল অবলা হিচাপে ঘুনুচা চৰিত্ৰটি অঙ্কন কৰা হৈছে। আৰু এই দুৰ্বলতাৰ সুযোগ লৈছে ক্ষমতাশালী মেলেকীসকলে।

সমাজচ্যুতা বিধৱা ঘুনুচাই নিজৰ আত্মীয় আৰু সমাজৰ দ্বাৰা অন্যায় বিচাৰৰ সন্মুখীন হৈ আইনমতে পাবলগীয়া সা-সম্পত্তি পৰ্যন্ত হেৰুৱালে। জীৱনৰ এনে চৰম বিপৰ্যয়ৰ সময়ত ঘুনুচাৰ মানসিক ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ কোনো আভাস গল্পকাৰে দাঙি ধৰা নাই। অৰ্থাৎ গল্পকাৰে সমাজ আৰু ঘুনুচাৰ মাজৰ সংঘাতৰ ইঙ্গিত দিছে, কিন্তু সংঘাতৰ সূক্ষ্ম ক্ৰিয়া-প্ৰতিক্ৰিয়া তাত দাঙি ধৰা নাই। অসহায়া ঘুনুচাই সমাজৰ অন্যায়-অবিচাৰ মূৰ পাতি লৈ নৈৰ পাৰত এটি জুপুৰিত পুত্ৰ মণিৰামৰ লগত বসবাস কৰিবলৈ ধৰিলে। এসময়ত ধন-ঐশ্বৰ্যৰে সুখত লালিত-পালিত ঘুনুচাই এতিয়া খুজি-মাগি জীৱন নিৰ্বাহ কৰিবলগীয়া হৈছে। অৱশ্যে সমাজৰ দ্বাৰা নিষ্পেষিত হ'লেও ঘুনুচা জীৱন-সংগ্ৰামত ভাগি যোৱা নাছিল। কিন্তু ভাগ্যৰ দ্বাৰা ঘুনুচা আকৌ নিগৃহীত হ'ল। পুত্ৰ মণিৰামৰ ক'লা জ্বৰ হ'ল। টকা-পইচাৰ নাটনিত সুপথ্য আৰু সুচিকিৎসা দিব নোৱাৰিলে। কবিৰাজৰ ওচৰত নিজৰ সাঁচতীয়া হাতৰ-কাণৰ সকলো আ-অলঙ্কাৰ আৰু পাট-মুগাৰ কাপোৰ দি পুত্ৰৰ চিকিৎসা কৰোৱালে। কবিৰাজে ঘুনুচাৰ পৰা অধিক টকা-পইচা সৰকোৱাৰ আশা কৰি এমাহমান ঔষধ দিয়াৰ পাছত পুনৰ টকা-পইচা বিচাৰিলে।

উপায়ান্তৰ হৈ ঘুনুচা ভাগি পৰিল। এনেতে এদিন কুলগুৰুক দেখা পাই ঘুনুচাই দুখৰ সকলো কথা ক'লত গুৰুৱে ঘুনুচাক দেখি ৰাম-বিষ্ণু স্মৰণ কৰি আঁতৰি যাব খুজিছিল। কিন্তু ঘুনুচাৰ কাৰৌ-কাকূতিত কিছু শান্ত হৈ উপায় প্ৰদান কৰিলে। দেৱ-দ্বিজ, গুৰু-ভকতক পূজা-পাতল দি সেৱা-শুশ্ৰূষা কৰিবলৈ ক'লে। খুজি-মাগি পোৱা কল-গাখীৰ বেমাৰীক নুখুৱাই দেৱ-দ্বিজ-ভকতক খুৱালে। দ্বিজ-ভকতৰ উচ্ছিষ্ট পুত্ৰক খুৱালে, কীৰ্ত্তন পাঠ কৰোৱালে। কিন্তু মণিৰামৰ জ্বৰ নকমিল। বৰং এদিন মণিৰাম ঢুকাই থাকিল। ইয়াৰ পৰা ঘুনুচাৰ সহজ-সৰল স্বভাৱ, অন্ধবিশ্বাস-কুসংস্কাৰ আদিত বিশ্বাস থকা দেখা যায়। হাজাৰ অপমান পায়ো সহ্য কৰি সহনশীলতাৰ পৰিচয় দিয়া ঘুনুচাৰ প্ৰতি কিন্তু সমাজ সহনশীল নহ'ল। ভক্তি বা ধৰ্মত অতিমাত্ৰা বিশ্বাসী ঘুনুচাই শেষত মানসিক ভাৰসাম্যতা হেৰুৱাই মাটিৰ দেৱতা-ব্ৰাহ্মণৰ মূৰ্তি সাজি নানা অত্যাচাৰ চলাব ধৰিলে।

ঘুনুচা পাগলী হ'ল। প্ৰচণ্ড মানসিক সংঘাতৰ ইঙ্গিত গল্পকাৰে দাঙি ধৰিলেও তাৰ মানসিক ক্ৰিয়া-প্ৰতিক্ৰিয়া কিন্তু দাঙি ধৰা নাই। সমাজ আৰু ভাগ্যৰ দ্বাৰা নিষ্পেষিত হোৱাৰ পাছত ঘুনুচাৰ মনৰ ক্ষোভৰ বহিৰ্প্ৰকাশ ঘটিছে যদিও ঘুনুচাই মানসিক ভাৰসাম্য হেৰুওৱাৰ পাছতহে।

কুলগুৰুৰ চৰিত্ৰত কুলৰ প্ৰতি দায়িত্বশীল হোৱা স্বভাৱ বিশেষ দেখা নাযায়। ঘুনুচাৰ বিপদৰ সময়ত গুৰুৱে ঘুনুচাৰ ঘৰখনৰ বিপদ আঁতৰোৱাৰ ক্ষেত্ৰত কোনো পৰামৰ্শ আগবঢ়োৱা নাই। শেষত ঘুনুচাক দেখি যি আচৰণ কৰিছে, সেয়াও সৎ ব্যক্তিৰ আচৰণ নহয়। চৰম দায়িত্বজ্ঞানহীনভাৱে অযুক্তিকৰ পৰামৰ্শহে দান কৰিছে, বেমাৰীক উপযুক্ত চিকিৎসা আৰু সুপথ্য খুউওৱাৰ পৰামৰ্শ দান কৰা নাই। ঘুনুচাই গুৰুৰ চৰণত এটকা প্ৰদান কৰাত গুৰুৱে বাৰিষাৰ বৰষুণৰ নিচিনা আশীৰ্বাদৰ ধাৰ নিছিগা শুভ কামনা জনাইছে। ইয়ে গুৰুৰ লোভ-লালসাপূৰ্ণ চৰিত্ৰৰ ইঙ্গিত দাঙি ধৰে।

মুঠৰ ওপৰত, 'ঘুনুচা' গল্পৰ চৰিত্ৰবোৰ বিংশ শতিকাৰ অসমীয়া সমাজৰ তেজ-মঙহৰ চৰিত্ৰ। যথাৰ্থ বাস্তৱানুগ এই চৰিত্ৰবোৰে পাঠকৰ হৃদয়ত অতি সহজতে সাঁচ বহুৱাই থৈ যায়।



অগ্ৰগতি নিৰীক্ষণ

৩ নং প্ৰশ্ন ঃ 'ঘুনুচা' গল্পটিৰ কেন্দ্ৰীয় চৰিত্ৰটো বিশ্লেষণ কৰি দেখুৱাওক। [200 টা শব্দৰ ভিতৰত)

৬.৪.৪ গল্পটোৰ সাধাৰণ আলোচনা

'ঘুনুচা' গল্পটি 1908 চনৰ 18 মে' তাৰিখত ৰচনা কৰিছিল আৰু *ঊষা* আলোচনীৰ তৃতীয় বছৰৰ [1909] প্ৰথম সংখ্যাত প্ৰকাশিত হৈছিল। অসমীয়া চুটিগল্পৰ

আৰম্ভণি পৰ্বৰ এই সময়ছোৱাত গল্পসমূহ আছিল মুখ্যতঃ কাহিনীমূলক। বেজবৰুৱাই ভদৰী, পাতমুখী আদি দুই-চাৰিটা চৰিত্রপ্রধান চুটিগল্প ৰচনা কৰাৰ দৰে শৰৎ চন্দ্র গোস্বামীয়েও 'তৰা', 'সুধা', 'ঘুনুচা' আদি দুই-এটা চৰিত্রপ্রধান গল্প ৰচনা কৰিছিল। কিন্তু এই চৰিত্রপ্রধান চুটিগল্পসমূহত চাৰিত্রিক বৈশিষ্ট্যবোৰ পৰিৱেশ-পৰিস্থিতি, খণ্ডচিত্র আদিৰ সলনি কাহিনীৰ মাজেদিহে বিশেষভাৱে ফুটাই তোলা দেখা যায়।

চুটিগল্পত পটভূমি বর্ণনাৰ এটি বিশেষ তাৎপর্য থাকে। গল্পৰ মূল বক্তব্য বিষয় বা তত্ত্বৰ ইঙ্গিত পটভূমিয়ে দাঙি ধৰে। 'ঘুনুচা' গল্পৰ আৰম্ভণিতে পটভূমি হিচাপে যি বর্ণনা দাঙি ধৰিছে— গল্পটিৰ বক্তব্য উপলব্ধিত সি গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰিছে। গল্পটিৰ আৰম্ভণি হৈছে এনেদৰে— 'বাৰিষাৰ দিন। মনে মনে সূর্যদেৱে কেতিয়া বুৰ মাৰিলে ভালকৈ কোনোৱে কবই নোৱাৰিলে। কিন্‌কিনীয়া বৰষুণ পৰিছে— ঝাপ্‌ ঝাপ্‌ ঝুপ্‌ ঝুপ্‌। বাটৰ কাষত...। আকাশ মেঘেৰে ঢাকা, তলত ভিজা মাটি, মাজে মাজে বা পানী, মাজে মাজে বা বোকা। নৈৰ ওচৰৰ সৰু বাটটিয়েদি এজনী তিৰোতা যাব লাগিছে। মূৰত আঁচলৰ এক লোচ দি বৰষুণৰ বিৰুদ্ধে যুদ্ধত সাজু হৈছিল, কিন্তু বৃষ্টি-দেৱতাই তিৰোতাজনীৰ এনে ধৃষ্টতা দেখি অত্যন্ত কুপিত হৈ তেওঁৰ গোটেই কাপোৰ-কানি তিয়াই পেলাইছে।...

নদীৰ পাৰে পাৰে গৈ তেওঁ এটি সৰু খেৰৰ ঘৰ পালে;...। খাব নোপোৱা মানুহৰ হাতৰ নিচিনা, ঘৰটিৰ ছালৰ কামিবোৰ ওলাইছে। লেপি দিয়া বটাৰ বেৰবোৰৰ তলৰ ভাগটি মাটিয়ে খোৱা, প্রায় মাটিয়েই বতাহ-বৰষুণ আৰু পোক-পৰুৱাৰ অত্যাচাৰত খহি পৰিছে। চোতালখন সৰু, অপৰিষ্কাৰ, শেলাইৰে ভৰা। এটি কোণত চাৰিটি তাঁতশালৰ খুঁটা পোতা।'

'বাৰিষাৰ দিন'— বুলি ক'লেই মেঘৰ গাজনি, বতাহ-বৰষুণ আৰু সূর্যৰ প্রখৰ তাপৰ ফলত নানা কষ্টৰ মুখামুখি হোৱা ছবি এখন মনলৈ আহে। প্রাকৃতিক এই ছবিৰ লগতে উক্ত ব্যাখ্যাই ঘুনুচাৰ জীৱনতো যে 'বাৰিষা আহিছে'— তাৰ ইঙ্গিত দাঙি ধৰিছে। নানা দুর্যোগৰ ফলত ঘুনুচাৰ জীৱন বিপর্যস্ত হৈ পৰিছে। বাৰিষাৰ আর্দ্রতাই ঘুনুচাৰ জীৱনলৈ কাৰুণ্যৰ আর্দ্রতা অহাৰ ইঙ্গিত সূচিত কৰে। কোনেও গম নোপোৱাকৈ সূর্য্য দেৱতাই ডুব যোৱা বাক্যাংশত ধৰাৰ বুকুলৈ এন্ধাৰ নামি অহাৰ ইঙ্গিত প্রচ্ছন্ন হৈ থকাৰ লগতে সহৃদয় পাঠকৰ সংবেদনশীল মনে এই কথাও সমানে অনুভৱ কৰিব পাৰে যে ঘুনুচাৰ জীৱনতো এনে এন্ধাৰৰ আগমন আসন্ন। এন্ধাৰৰ আগমনৰ ভীতিগ্রস্ততাই পাঠকৰ হৃদয় এক অজান আশঙ্কাত আতঙ্কিত কৰাৰ লগতে গল্পটিৰ কাহিনীত মন প্রবিষ্ট কৰিবলৈ কৌতূহলো সমানেই জগাই তোলে। মেঘেৰে ঢাকা আকাশৰ তলত বোকাময় পথেৰে কিন্‌কিনীয়া বৰষুণৰ মাজেৰে যাব ধৰা ঘুনুচাৰ সংঘর্ষময় জীৱনৰ জীৱন সংগ্রামৰ ছবি এটিৰে পাঠকক আগতীয়াকৈ সাজু কৰি তোলা হৈছে। প্রাকৃতিক দুর্যোগৰ মাজত নায়িকাৰ এই যাত্রাৰ ছবি আচলতে ঘুনুচাৰ জীৱন যাত্রাৰ ছবিৰেই নামান্তৰ মাথোন।

কিন্তু ঘুনুচাৰ এনে অদমনীয় জীৱন-সংগ্ৰামত কুপিত হৈ ভাগ্যই তেওঁক প্ৰতাৰণা কৰিলে। ভাগ্য বা নিয়তিৰ ক্ৰূৰ পৰিহাসৰ পৰিণতিত মানুহৰ জীৱনলৈ নামি অহা কাৰুণ্যৰ ছবি গোস্বামীৰ গল্পৰ এটি অন্যতম বিশেষত্ব। ঘুনুচাৰ জীৱনতো যে তেনে এক বিপদে অপেক্ষা কৰি আছে— তাৰ ইঙ্গিত আমি দুশাৰী বাক্যৰ যোগেদি আগতীয়াকৈ পাওঁ। 'সূর্য্যদেৱে মনে মনে বুৰ মৰা' আৰু 'বৃষ্টি দেৱতাই কুপিত হোৱা'— বাক্যৰ যোগেদি ভাগ্যৰ বিড়ম্বনাৰ ইঙ্গিত গল্পকাৰে দাঙি ধৰিছে। পোক-পৰুৱা, বতাহ-বৰষুণৰ অত্যাচাৰত মাটিৰ বেৰ জহি-খহি যোৱাৰ দৰে সমাজৰ অন্যায়-অবিচাৰ, ষড়যন্ত্ৰ, কুসংস্কাৰ, ৰীতি-নীতি, ভাগ্যৰ পৰিহাস আদিৰ বাবে ঘুনুচাৰ জীৱনো নৰকময় হৈ পৰিছে। পোক-পৰুৱাই খুলি খুলি খোৱাৰ দৰে সমাজৰ ষড়যন্ত্ৰ আৰু নিষ্ঠুৰতাৰ বলি হোৱা ব্যক্তিৰ গভীৰ যন্ত্ৰণাৰ ছবিখনে সচেতন পাঠকৰ হৃদয়ত সজোৱে এক খুন্দা মাৰে। যন্ত্ৰণাৰ এই কাৰুণ্যই পাঠকক ব্যক্তি আৰু সমাজৰ দ্বন্দ্বৰ কথাটো দকৈ ভাবি চাবলৈ বাধ্য কৰায়। 'ঘুনুচা' গল্পৰ এই দ্বন্দ্বৰ কথা বিশিষ্ট সমালোচক হোমেন বৰগোহাঞিদেৱেও উল্লেখ কৰিছে— "সাধাৰণভাৱে ক'বলৈ হ'লে, গোস্বামীৰ কেইবাটাও শ্ৰেষ্ঠ গল্পৰ প্ৰধান বিষয়বস্তু হ'ল দ্বন্দ্ব। ব্যক্তি আৰু অৱস্থা ভেদে এই দ্বন্দ্বৰ ৰূপ বেলেগ বেলেগ। কেতিয়াবা হৃদয় বৃত্তি বা প্ৰবৃত্তিৰ দ্বন্দ্ব (ব্ৰহ্মপুত্ৰৰ বুকুত, নদৰাম, তাৰা, সন্ন্যাসিনী), কেতিয়াবা সি ব্যক্তি আৰু সমাজৰ মাজত হোৱা দ্বন্দ্ব (ঘুনুচা, নৈৰ দাঁতিত, পশুপতিৰ বিয়া।' দ্বন্দ্বৰ ৰূপায়ণে কাহিনীৰ গতিশীলতা, পাঠকৰ কৌতূহলতা বঢ়োৱাৰ লগতে চৰিত্ৰৰ বিকাশতো গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। তদুপৰি ঘুনুচাৰ দাৰিদ্ৰ্যপীড়িত জীৱনৰ ছবি এখনেৰে তদানীন্তন অসমীয়া দৰিদ্ৰ লোকৰ ঘৰ এখনৰ পৰিৱেশ এটিও সজীৱভাৱে গল্পকাৰে দাঙি ধৰিছে।

গল্পটিৰ দ্বিতীয় অনুচ্ছেদত অসমীয়া সমাজত চিকিৎসা সেৱাৰ ছবিখন কেনে আছিল— তাৰ প্ৰতিফলন ঘটিছে। সমাজৰ দ্বাৰা পৰিত্যক্তা বিধৱা এগৰাকীৰ জীৱন সংগ্ৰাম কেনে— তাক বহলাই কোৱাৰ প্ৰয়োজন বোধহয় নাই। ঘুনুচাৰ জীৱনৰ একমাত্ৰ আশা-ভৰসাৰ সম্বল, একেটি পুত্ৰ মণিৰামৰ নৰিয়া হোৱাত চিকিৎসাৰ বাবে কবিৰাজৰ ওচৰ চাপিছে। কাৰৌ-কাকূতি কৰিও কবিৰাজৰ মন গলাব নোৱাৰি হাতৰ খাৰু চাৰিপাট বেচি সিকি এটাৰ ব্যৱস্থা কৰিলে।মানৱ সেৱাৰ মনোভাব নথকা কবিৰাজৰ অর্থ-লিপ্সাৰ ছবি ইয়াৰ যোগেদি গল্পকাৰে দাঙি ধৰিছে। তদুপৰি বিংশ শতিকাৰ প্ৰাৰম্ভত অসমৰ গাঁও-ভূঁইত চিকিৎসাৰ ক্ষেত্ৰত বিজ্ঞানসন্মত চিকিৎসা কৰাৰ সুবিধাকণ যে নাছিল— তাৰ সলনি কবিৰাজ-বৈদ্যই যে শেষ ভৰসা আছিল সেই ছবিখনো ইয়াত প্ৰতিফলিত হৈছে।

গল্পটিৰ তৃতীয় ছেদত ঘুনুচাৰজীৱনত ভাগ্যৰলুকাভাকুৰ কথা দাঙি ধৰা হৈছে। সৰুতে ধন-ঐশ্বৰ্যৰ প্ৰাচুৰ্যত ডাঙৰ-দীঘল হোৱা ঘুনুচাৰ উপযুক্ত বয়সত উপযুক্ত ধনী স্বামীৰ লগত বিয়া হয়। কিন্তু ভাগ্যৰ প্ৰতাৰণাত ঘুনুচাৰ জীৱনলৈ বিপর্যয় নামি আহে। শৰৎ চন্দ্ৰ গোস্বামীৰ প্ৰায়ভাগ গল্পতেই জীৱনৰকাৰুণ্যৰ ছবি অতি মর্মস্পর্শীভাৱে ফুটি

উঠা পৰিলক্ষিত হয়। সমাজৰ অন্যায়-অবিচাৰ, ষড়যন্ত্ৰ, নিষ্ঠুৰতাৰ লগতে ভাগ্যৰ পৰিহাস— মানৱ জীৱনৰ কাৰুণ্যৰ অন্যতম কাৰক হিচাপে চিহ্নিত হৈছে। এই ক্ষেত্ৰত চৰিত্ৰৰ ব্যক্তিগত ভুল-ভ্ৰান্তিয়েই সৰ্বোচ্চ নহয়। 'ঘুনুচা' গল্পত ঘুনুচাৰ জীৱনৰ ট্ৰেজিক কাৰুণ্যৰ অন্যতম কাৰণ হিচাপে সামাজিক অন্যায়-অবিচাৰ আৰু ভাগ্যৰ পৰিহাসক উল্লেখ কৰিব পাৰি। বিয়াৰ পাছতেই ঘুনুচাৰ পিতৃ আৰু শহুৰ কুলৰ আটায়ে জহনী মহামাৰীত প্ৰাণ ত্যাগ কৰে। ভাগ্যৰ প্ৰতাৰণাত ঘুনুচা নিঃসহায় আৰু আত্মীয়-স্বজনহীন হৈ পৰে। সেই সময়ত ঘুনুচা গৰ্ভৱতী আছিল বাবে ভৱিষ্যতে আহিবলগীয়া সন্তানৰ আশাতেই জীৱন কটাইছিল। কিন্তু ধন-সম্পত্তিৰ লোভত ঘুনুচাৰ খুৰা-শহুৰেকৰ পুতেক এজনে অৰ্থাৎ দেৱৰজনে মিছা মৰমেৰে ঘুনুচাৰ সম্পত্তি আত্মসাৎ কৰাৰ কৌশল ৰচে। তেওঁ ঘুনুচাৰ গৰ্ভস্থ সন্তান নষ্ট কৰাৰ বাবে উঠিপৰি লাগে। কিন্তু সফল হ'ব নোৱাৰি গাঁৱৰ মেলেকীসকলক ভাৰ-ভেটি, টকা-পইচাৰে নিজৰ ফলীয়া কৰি ঘুনুচাক 'ব্যভিচাৰিণী' আৰু পুত্ৰ মণিৰামক 'জহৰা' বুলি ৰায় দি সকলো সম্পত্তি দেৱৰজনক গতাই দিলে। মন কৰিবলগীয়া কথা যে শৰৎ চন্দ্ৰ গোস্বামীৰ গল্পৰ বিষয়বস্তুৰ ক্ষেত্ৰত এটি অন্যতম বিষয় আছিল 'সমাজৰ অন্যায়-অবিচাৰ'। এনেবোৰ চিত্ৰৰ অঙ্কনেৰে তেওঁ সমাজ-সংস্কাৰ কৰিব বিচাৰিছিল। বেজবৰুৱাৰ গল্পৰ প্ৰধান বিষয় ভেম-ভণ্ডামি হোৱাৰ দৰে গোস্বামীৰ গল্পত সামাজিক অন্যায়-অবিচাৰে মুখ্য স্থান পাইছিল। 'ঘুনুচা' গল্পতো এই কথা ফুটি উঠা দেখা যায়।

যি কি নহওক, সমাজৰ অন্যায়-অবিচাৰ আৰু ষড়যন্ত্ৰই ঘুনুচাৰ জীৱনৰ কাৰুণ্যৰ মূল কাৰণ। গাঁৱৰ মুখিয়ালসকলৰ তৰফৰ পৰা ছাব-ডেপুটি চাহাবৰ অফিচত দেৱৰজনৰ নামত মাটি-বাৰী নামজাৰি হ'বলাগে বুলি দৰ্খাস্ত পৰিল। তাতো দুৰ্নীতিৰ আশ্ৰয়ত সা-সম্পত্তিৰ গৰাকী বুলি দেৱৰজনৰ নামত নামজাৰি হ'ল। এইদৰে আইনমতে পাবলগীয়া সা-সম্পত্তি সকলো হেৰুৱাই ঘুনুচা বাটৰ ভিকহু হৈ পৰিল। এই ঘটনাৰ যোগেদি দুৰ্নীতি-ভ্ৰষ্টাচাৰত লিপ্ত তদানীন্তন অসমীয়া গাঁৱলীয়া সমাজখনৰ ক্ৰমে উৱলি যাবলৈ ধৰা ৰূপ এটি গল্পকাৰে দাঙি ধৰিছে। তদুপৰি অৰ্থলিপ্সাই সেই সমাজখনত ক্ৰমে প্ৰাধান্য বিস্তাৰ কৰি দুৰ্বল শ্ৰেণীৰ মানুহক কিদৰে নিষ্পেষিত কৰা হৈছিল— তাৰ ছবি এখনো প্ৰতিফলিত হৈছে। তেনেদৰে অসমৰ গাঁওসমূহত চলা ন্যায় বা বিচাৰ ব্যৱস্থাৰ প্ৰকৃত ছবি এখনো গল্পকাৰে তুলি ধৰিবলৈ সক্ষম হৈছে। মুঠৰ ওপৰত, সামাজিক ব্যৱস্থাই ব্যক্তিৰ জীৱন কিদৰে তিল্‌তিল্‌কৈ যন্ত্ৰণাৰ মুখলৈ ঠেলি জীৱন দুৰ্বিসহ কৰি তুলিব পাৰে— তাৰ কৰুণ ছবি এটি হৃদয়স্পৰ্শীভাৱে দাঙি ধৰা হৈছে। এই ছবিয়ে সচেতন আৰু সহৃদয় পাঠকৰ অন্তৰত কাৰুণ্যৰ আৰ্দ্ৰতাৰে সিক্ত কৰি তোলে।

ঘুনুচাই খুজি-মাগি খোৱাৰ ব্যৱস্থা কৰিবলৈ গ'লে, মণিৰামে গাঁৱৰ অন্য ল'ৰাৰ সৈতে লগ লাগি কুপথ্য ভক্ষণ কৰে। ইয়াত গাঁৱলীয়া ল'ৰা-ছোৱালীয়ে ইঘৰ-সিঘৰৰ বাৰীত আম-কঁঠাল আদি চুৰি কৰি লগে-ভাগে খোৱাৰ এটি গাঁৱলীয়া ছবি সজীৱভাৱে

ফুটি উঠিছে। গাঁৱত ডাঙৰ-দীঘল হোৱা ল'ৰা-ছোৱালীৰ বাবে শৈশৱৰ এনে ছবি নিচেই চিনাকি। মণিৰামৰ জ্বৰ বাঢ়ি যোৱাৰ এই ছবি অত্যন্ত স্বাভাৱিক হৈছে। মুঠতে, গ্ৰাম্য পৰিৱেশৰ এনেবোৰ দৃশ্যই গল্পটিক বাস্তৱসন্মত কৰাত প্ৰভূত অৱিহণা যোগাইছে। মন কৰিবলগীয়া কথা যে গোস্বামীৰ গল্পত বেজবৰুৱাৰ ৰোমাণ্টিক চেতনাৰ বিপৰীতে বাস্তৱমুখী চেতনাৰ প্ৰকাশহে বেছিকৈ দেখা যায়। গোটেই গল্পটোৰ পৰিৱেশ, পৰিস্থিতি, চৰিত্ৰৰ কাৰ্যকলাপ, কাহিনী আদি বাস্তৱসন্মত হৈছে।

গল্পটিৰ পঞ্চম ছেদত কুলগুৰু ব্ৰাহ্মণৰ দায়িত্বহীনতা, ধৰ্মীয় বিশ্বাস আৰু অৰ্থ-লিপ্সাৰ কথা প্ৰকাশ পাইছে। আচলতে ঘুনুচাৰ দেৱৰ, মেলেকী, কবিৰাজ আৰু কুলগুৰুৰ অৰ্থলিপ্সা আৰু স্বাৰ্থপৰতাই ঘুনুচাৰ জীৱন বিপৰ্যস্ত কৰাৰ মূল কাৰণ বুলি ক'ব পাৰি। কুলগুৰু এজনে কুলটোৰ বিপদৰ সময়ত সময়োপযোগী আৰু যুক্তিযুক্ত পৰামৰ্শ দান কৰি বংশটোক বিপদৰ পৰা ৰক্ষা কৰিব লাগে। ঘুনুচাৰ বিপদৰ সময়ত কিন্তু কুলগুৰুৱে ঘুনুচাক দেখি 'ব্যভিচাৰিণী' বুলি বিষ্ণু-কৃষ্ণক স্মৰি আঁতৰি যাব খুজিছে। ইয়াত কুলগুৰু ব্ৰাহ্মণৰ ধৰ্মীয় চিন্তাত মানৱতাৰ যেন কোনো স্থানেই নাই— তাৰ ইঙ্গিত প্ৰচ্ছন্ন হৈ আছে। বিপদত পৰা বিধৱা ঘুনুচাক সেয়া পাপৰ কৰ্মৰ ফল বুলিহে গুৰুৱে তিৰস্কাৰ কৰিছে আৰু দেৱ-দ্বিজ, হৰি-ভকতক ভক্তি সহকাৰে পূজা-পাৰ্বণ কৰিবলৈ উপদেশ দিলে। তেতিয়া সংসাৰত ৰোগ-শোক, পাপ-তাপে একো কৰিব নোৱাৰে। বেমাৰ-আজাৰৰ বিজ্ঞানসন্মত কাৰণ থাকে। সেইমতে উপযুক্ত চিকিৎসা নকৰি অন্ধবিশ্বাস আৰু কুসংস্কাৰৰ বশৱৰ্তী হৈ দেৱ-দ্বিজ, ভকতক সেৱা-শুশ্ৰূষা কৰিলেই ৰোগ উপশম নহয়। কিন্তু ধৰ্মপ্ৰাণা ঘুনুচাই জীৱনৰ শেষ ভৰসা হিচাপে ধৰ্মকে আশ্ৰয় কৰি চাবলৈ ঠিৰাং কৰিলে।

ঘুনুচাৰ দুখৰ কাহিনী শুনি বিদেশী মানুহ এজনে এটকা এটা দিছিল, সেইটোকে গুৰুৰ চৰণত অৰ্পণ কৰিলে। বিপদৰ সময়ত সেই টকাটো ঘুনুচাৰ কামত আহিব, ঔষধ-পাতি খুৱাব পাৰিব— তেনেকুৱা সহানুভূতিশীল আৰু সহৃদয়বান অন্তৰৰ পৰিচয় গুৰুৱে দিব নোৱাৰিলে। তদুপৰি ঘুনুচাৰ বিপদত গাঁৱৰ মানুহে সহায় কৰা পৰিলক্ষিত নহ'ল। বিদেশী এজনৰ আৰু ওচৰ-চুবুৰীয়া মানুহৰ মাজৰ এই তফাৎ দেখিলে সহৃদয় আৰু সচেতন পাঠকৰ মন কাৰুণ্যৰে ভৰি উঠে।

ঘুনুচাই খুজি-মাগি পোৱা কল-গাখীৰ নিজৰ ৰুগীয়া পুত্ৰক নুখুৱাই গুৰু বামুণক খুৱালে। ইয়াতকৈ আৰু ডাঙৰ irony(শ্লেষ) জীৱনত কি থাকিব পাৰে ! গাঁৱলীয়া সহজ-সৰল মানুহৰ অজ্ঞতা, অন্ধবিশ্বাস, কুসংস্কাৰ আৰু ধৰ্মত অতিমাত্ৰা বিশ্বাসৰ পৰিণতিৰ ছবি এখনি গল্পটিৰ শেষত স্বাভাৱিকভাৱেই দাঙি ধৰিছে। মণিৰামৰ মৃত্যুৰ কাৰণ অতি স্বাভাৱিক হোৱাৰ দৰে ঘুনুচাৰ শেষ পৰিণতিও অতি স্বাভাৱিক হৈছে। পূজা-পাৰ্বণৰ মন্ত্ৰ, নৈবেদ্যৰ প্ৰসাদ,গুৰু-বামুণৰ উচ্ছিষ্ট— একোৱে মণিৰামৰ জ্বৰ ভাল কৰিব নোৱাৰিলে। ইয়াত গুৰু-দ্বিজ আৰু ধৰ্মীয় কাৰ্যৰ প্ৰতি একপ্ৰকাৰ ব্যঙ্গ আছে।

কিন্তু এই ব্যঙ্গত গল্পকাৰে বেজবৰুৱাৰ দৰে কাকো শাণিতভাৱে আক্ৰমণ কৰা নাই। গোস্বামীৰ গল্পৰ ই এটা অন্যতম বিশেষত্ব। উদাহৰণস্বৰূপে, কুলগুৰুৰ প্ৰতি থকা ব্যঙ্গৰ কথা ক'ব পাৰি। ঘুনুচাই গুৰুৰ চৰণত এটকা প্ৰদান কৰাত গুৰুৰ প্ৰতিক্ৰিয়া গল্পকাৰে ব্যঙ্গভাৱে দাঙি ধৰিছে— "গুৰুদেৱে বাৰিষাৰ বৰষুণৰ নিচিনা আশীৰ্বাদৰ অজস্ৰ ধাৰ পেলাই প্ৰস্থান কৰিলে।"

যি কি নহওক, সমাজ-সংস্কাৰৰ পোষকতা কৰা গোস্বামীয়ে 'ঘুনুচা' গল্পৰ যোগেদি সমাজৰ অন্যায়-অবিচাৰ, দুৰ্নীতি-ভ্ৰষ্টাচাৰতথা বেজ-বেজালি, দেৱ-দ্বিজ, গুৰু-ভকত আদিৰ কাৰ্যকলাপক ব্যঙ্গ কৰিছে আৰু এখন সুস্থ সমাজ গঠনৰ পোষকতা কৰিছে।

গল্পটিৰ সামৰণিত সমাজ আৰু ভাগ্যৰ দ্বাৰা নিষ্পেষিত ঘুনুচাই মানসিক ভাৰসাম্য হেৰুৱাৰ কথা অতি স্বাভাৱিক হৈছে। ধৰ্মৰ প্ৰতি অত্যন্ত আস্থাশীল ঘুনুচাই খুজি-মাগি পোৱা অতি কষ্টৰ ধনখিনিও যেতিয়া ধৰ্মীয় কামতেই খৰচ কৰি দেৱ-দ্বিজক সন্তুষ্ট কৰিবলৈ চেষ্টা কৰিলে, তাতো তাই বিফল হ'ল। দেৱ-দ্বিজ, ব্ৰাহ্মণ-ভকত আৰু সমাজ সকলোৰে প্ৰতি ঘুনুচাৰ মোহভঙ্গ হ'ল। অন্তৰৰ নিভৃত কোণত থকা শেষ বিশ্বাসকণো হেৰুৱাই পেলালে। ধৰ্মৰ সৈতে ঘুনুচাৰ এই দ্বন্দ্বৰ বহিৰ্প্ৰকাশ ঘটিছে গল্পটোৰ সামৰণিত। নৈৰ পাৰত এতিয়া ঘুনুচাই মাটিৰ দেৱতা বামুণ গঢ়ি তাৰ ওপৰত নানা প্ৰকাৰৰ অত্যাচাৰ কৰে। জীৱনত সকলো হেৰুৱাই পাগলী হোৱা ঘুনুচাৰ অৱচেতন মনত থকা দেৱ-দ্বিজৰ প্ৰতি ক্ষোভ আৰু ঘৃণাৰ বহিৰ্প্ৰকাশ ঘটিছে। আনহাতে জীৱন-সংগ্ৰামত হাৰি সৰ্বস্বান্ত হোৱা নাৰী এগৰাকীৰ শেষ পৰিণতি আৰু হৃদয় বিদীৰ্ণ কৰা ক্ৰন্দনে প্ৰত্যেকজন পাঠকৰ হৃদয়ত হাহাকাৰ সৃষ্টি কৰিবলৈ সক্ষম হৈছে। গোস্বামীৰ গল্পৰ মূল সুৰ জীৱনৰ কাৰুণ্যৰ প্ৰকাশ এইদৰে 'ঘুনুচা' গল্পত ফুটি উঠা দেখা যায়।



অগ্ৰগতি নিৰীক্ষণ

৪ নং প্ৰশ্ন ঃ 'ঘুনুচা' গল্পটিত গল্পকাৰৰ কি কি বিশেষত্ব ফুটি উঠিছে, এটি আলচ যুগুত কৰক। [200 টা শব্দৰ ভিতৰত)

৬.৪.৫ চুটিগল্প হিচাপে 'ঘুনুচা'

জোনাকী যুগৰ চুটিগল্পসমূহৰ ভিতৰত শৰৎ চন্দ্ৰ গোস্বামীৰ 'ঘুনুচা' এটি অন্যতম জনপ্ৰিয় চুটিগল্প।চুটিগল্প শিল্পকলাৰ বৈশিষ্ট্যবোৰৰ আধাৰত বিশ্লেষণ কৰি চালেও 'ঘুনুচা' এটি সফল চুটিগল্প বুলিয়ে ক'ব পাৰি। জোনাকী যুগৰ সৰহভাগ চুটিগল্পই আছিল কাহিনীমূলক।আনকি বেজবৰুৱা বা শৰৎ চন্দ্ৰ গোস্বামীৰ যি দুই-এটা চৰিত্ৰপ্ৰধান চুটিগল্প আছে, সেইবোৰো কাহিনীৰ মাধ্যমেদিয়ে প্ৰকাশ পোৱা দেখা যায়। বেজবৰুৱাৰ পাতমুগী, ভদৰী আদি চুটিগল্পৰ দৰেই গোস্বামীৰ 'সুধা', 'তৰা' বা 'ঘুনুচা'ৰ চাৰিত্ৰিক বৈশিষ্ট্য

মূলতঃ কাহিনীৰ মাজেদিয়ে প্ৰকাশিত হৈছে। 'ঘুনুচা' এটি চৰিত্ৰপ্ৰধান চুটিগল্প। গল্পটোৰ নায়িকা বা কেন্দ্ৰীয় চৰিত্ৰ 'ঘুনুচা'ৰ সমাজ আৰু ধৰ্মৰ সৈতে সংঘাত দাঙি ধৰি ঘুনুচাৰ জীৱনলৈ নামি অহা কাৰুণ্য প্ৰকাশ কৰাই গল্পটোৰ মুখ্য উদ্দেশ্য। চুটিগল্পৰ নামকৰণ সাধাৰণতে তিনিটা দিশৰ পৰা কৰা হয়— [1] কেন্দ্ৰীয় ভাব, [2] মুখ্য চৰিত্ৰৰ নাম আৰু [3] কথাবস্তুৰ ইঙ্গিত। সেই পিনৰ পৰা গল্পটিৰ নামকৰণ মুখ্য চৰিত্ৰৰ নামেৰে কৰা দেখা যায়।

চুটিগল্প এবিধ বাস্তৱধৰ্মী সাহিত্য। বাস্তৱ জগতৰ লগত সামঞ্জস্য থকা ঘটনা কল্পনাৰ আশ্ৰয়ত ইয়াত শিল্পসন্মতভাৱে দাঙি ধৰা হয়। অৱশ্যে অলৌকিক ঘটনাও চুটিগল্পত স্থান পাব পাৰে, কিন্তু উপযুক্ত পৰিৱেশ ৰচনাৰে তাক বিশ্বাসযোগ্য ৰূপত পাঠকৰ আগত দাঙি ধৰিব পাৰিব লাগে। গতিকে, বিশ্বাসযোগ্য কাহিনী চুটিগল্পৰ এটি অন্যতম বৈশিষ্ট্য। 'ঘুনুচা' গল্পৰ কথাবস্তু বাস্তৱৰ আধাৰত ৰচিত। সমাজৰ অন্যায়-অবিচাৰ, দুৰ্নীতি-ভ্ৰষ্টাচাৰ, ৰীতি-নীতিয়ে ব্যক্তিৰ জীৱন কিদৰে তিল্‌তিল্‌কৈ যন্ত্ৰণাময় কৰিব পাৰে— তাৰ ৰূপায়ণ গল্পটিত দেখা যায়। ব্যক্তি আৰু সমাজৰ এই দ্বন্দ্বৰ চিত্ৰণত গল্পকাৰে তদানীন্তন গাঁৱলীয়া সমাজৰ পৰা কাহিনী, চৰিত্ৰ, পৰিৱেশ আদি বুটলি লৈছে।

চুটিগল্পৰ কাহিনী বা চৰিত্ৰৰ বিকাশৰ ক্ষেত্ৰত গল্পকাৰসকলে প্ৰায়ে অৱলম্বন কৰা এটা বাস্তৱসন্মত কৌশল হৈছে দ্বন্দ্বৰ ৰূপায়ণ।দ্বন্দ্ব দুই প্ৰকাৰৰ— অন্তৰ্দ্বন্দ্ব আৰু বহির্দ্বন্দ্ব। দ্বন্দ্বৰ সহায়ত কাহিনীৰ আৰম্ভণি ঘটাই উৎকণ্ঠা সৃষ্টিৰে তাক বিকশিত কৰি পৰিণতিৰ পিনে আগবঢ়াই নিয়া হয়। দ্বন্দ্ব যিমানে বাস্তৱসন্মত তথা বিশ্বাসযোগ্য হয়, পাঠকৰ মন সিমানে গল্পৰ কথাবস্তুৰ মাজত সোমাই যায়।দ্বন্দ্ব বা সংঘাতৰ প্ৰয়োগ গোস্বামীৰ গল্পৰ এটি অন্যতম বিশেষত্ব। এই প্ৰসঙ্গত হোমেন বৰগোহাঞিৰ মন্তব্য 'সাধাৰণভাৱে ক'বলৈ হ'লে,গোস্বামীৰ কেইবাটাও শ্ৰেষ্ঠ গল্পৰপ্ৰধান বিষয়বস্তু হ'ল দ্বন্দ্ব। ব্যক্তি আৰু অৱস্থাভেদে এইদ্বন্দ্বৰ ৰূপ বেলেগ বেলেগ। কেতিয়াবা হৃদয় বৃত্তি বা প্ৰবৃত্তিৰ দ্বন্দ্ব (ব্ৰহ্মপুত্ৰৰ বুকুত, নদৰাম, তাৰা, সন্ন্যাসিনী), কেতিয়াবা সি ব্যক্তি আৰু সমাজৰ মাজত হোৱা দ্বন্দ্ব (ঘুনুচা, নৈৰ দাঁতিত, পশুপতিৰ বিয়া)।' আচলতে 'ঘুনুচা' গল্পটিত সমাজৰ সৈতে ঘুনুচাৰ দ্বন্দ্ব হোৱাৰ পাছত ধৰ্ম বা বাগ্যৰ সৈতেও পুনৰ দ্বন্দ্ব হৈছে। এই সংঘাতত বিপৰ্যস্ত হৈ ঘুনুচাই মাটিৰ দেৱতা-ব্ৰাহ্মণৰ মূৰ্তি সাজি নানা অত্যাচাৰ চলাইছে। প্ৰথমটো বহির্দ্বন্দ্ব আৰু দ্বিতীয়টো অন্তৰ্দ্বন্দ্ব। দুয়োটা সংঘাতৰ সময়ত চৰিত্ৰটোৰ মানসিক ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ সূক্ষ্মাতিসূক্ষ্ম চিত্ৰণ গল্পকাৰে দিয়াৰ সুযোগ আছিল যদিও তেনে কৰা দেখা নাযায়।

উৎকণ্ঠা বা ঔৎসুকতা সৃষ্টিৰে পাঠকৰ মন পৰিণতিলৈকে বান্ধি ৰাখিব পৰাটো উৎকৃষ্ট চুটিগল্পৰ এটি অন্যতম বিশেষত্ব। এই ক্ষেত্ৰত গল্পকাৰে সংঘাত সৃষ্টিৰে উৎকণ্ঠা জগাই তোলা দেখা যায়।

'ঘুনুচা' গল্পটিত গল্পকাৰে পাঠকৰ মনত উৎকণ্ঠা সৃষ্টি কৰি সমাৰণিলৈ বৰ্তাই ৰাখিবলৈ প্ৰায় সক্ষম হৈছে বুলি ক'ব পাৰি। সমাজৰ অন্যায়-অবিচাৰ আৰু ভাগ্যৰ

দ্বাৰা নিষ্পেষিত হোৱাৰ পাছতো একমাত্ৰ পুত্ৰ মণিৰামৰ ক'লা জ্বৰ ভাল হ'ব নে নাই— এই প্ৰশ্নই পাঠকৰ মনত উৎকণ্ঠা আৰু ঔৎসুক্য জগাই তোলে। তদুপৰি ঘুনুচাৰ শেষ আশ্ৰয় ভক্তি আৰু ধৰ্মত শৰণ লোৱাত ঈশ্বৰে কৰুণা কৰিবনে— সেই কথায়ো পাঠকৰ মনত তীব্ৰ কৌতূহল জগাই তোলে। কিন্তু মণিৰামৰ মৃত্যুৰ লগে লগে এই উৎকণ্ঠা নাইকিয়া হয়। অৱশ্যে ধৰ্মৰ সৈতে ঘুনুচাৰ মনৰ অন্তৰ্দ্বন্দ্বৰ পৰিণতি কি হ'ব— তাক জানিবলৈ পাঠকে পুনৰ সামৰণিলৈ ঔৎসুক্যতাৰে বাট চাবলগা হয়।

চৰিত্ৰপ্ৰধান চুটিগল্পত সাধাৰণতে ঘটনা, খণ্ডচিত্ৰ বা পৰিস্থিতিৰ মাজেদি চৰিত্ৰটোৰ সবলতা, দুৰ্বলতা বা জটিলতা আদি দাঙি ধৰা হয়। সময়ৰ লগে লগে এই কৌশলবোৰৰ প্ৰয়োগ বেলেগ বেলেগ হোৱা দেখা যায়। 'ঘুনুচা' গল্পটিৰ ক্ষেত্ৰত আমি অৱশ্যে মনত ৰাখিব লাগিব যে ই অসমীয়া চুটিগল্পৰ প্ৰস্তুতি পৰ্বৰ গল্প। গতিকে, আজিকালিৰ নিচিনা জটিল মনঃস্তাত্ত্বিক বিশ্লেষণ বা প্ৰকাশ তাত নাথাকিলেও 'ঘুনুচা', 'দেৱৰ', 'মেলেকী', 'কবিৰাজ' আৰু 'কুলগুৰু'ৰ যোগেদি সমাজৰ বিভিন্ন দিশ আৰু ব্যক্তিৰ চৰিত্ৰ দাঙি ধৰা হৈছে। অৱশ্যে দ্বন্দ্ব বা সংঘাতত বিপৰ্যস্ত হোৱা নায়িকা 'ঘুনুচা' চৰিত্ৰৰ যিধৰণে বিকাশ কৰাৰ থল আছিল, গল্পকাৰে তেনে ধৰণৰ সুবিধা লোৱা দেখা নাযায়। ঠিক সেইদৰে অন্যান্য চৰিত্ৰবোৰৰো কেৱল আভাসহে আছে, বিকাশৰ কোনো ব্যৱস্থা গল্পকাৰে নল'লে। এই চৰিত্ৰবোৰৰ ইঙ্গিত মাত্ৰ কাহিনীৰ প্ৰয়োজনত গল্পকাৰে দাঙি ধৰিছে।

চুটিগল্পত কথাবস্তু বা কাহিনী প্ৰকাশৰ চাৰিটা ৰীতি পৰিলক্ষিত হয়। তাৰ ভিতৰত এটা ৰীতি হৈছে গল্পৰ ঘটনাৰ বাহিৰত থাকি গল্প লেখকে সকলো ঘটনাৰ বিৱৰণ দাঙি ধৰিব পাৰে আৰু আৱশ্যক মতে নিজৰ দুই-চাৰি মন্তব্যও তুলি ধৰিব পাৰে। 'ঘুনুচা' গল্পটিত এই ৰীতি প্ৰয়োগ কৰা হৈছে। মাজে মাজে গল্পকাৰে সহানুভূতিসূচক দুই-এটা মন্তব্যও দাঙি ধৰিছে। যথা—

1] দুখীয়াৰ নো আইন-কানুন কি!

2] হায়, ঘুনুচা! সংসাৰৰ শেষ সম্বল একেটি ৰতন, সিও তোমাৰ ভাগ্যত নাই।

চুটিগল্প শিল্পকলাৰ এটি অন্যতম বৈশিষ্ট্য হৈছে— আৰম্ভণিৰ আকস্মিকতা আৰু সামৰণিৰ নাটকীয়তা। সাধুকথাৰ নিচিনাকৈ ইয়াত কোনো পাতনি মেলা নহয়। ই হঠাৎ আৰম্ভ হৈ হঠাৎ সমাপ্ত হয়। পাঠকে আশা নকৰাকৈ ইয়াৰ সামৰণি মৰা হয়। ৰবীন্দ্ৰ নাথ ঠাকুৰৰ ভাষাত—

"নাহি বৰ্ণনাৰ ছটা নাহি ঘটনাৰ ঘনঘটা
নাহি তত্ত্ব নাহি উপদেশ,
অন্তৰে অতৃপ্তি ৰবে সাঙ্গ কৰি মনে হ'বে
শেষ হইয়ে হইলো না শেষ।" (বৰ্ষাযাপন)

'ঘুনুচা' গল্পটি আকস্মিকভাৱে আৰম্ভ হৈছে। তদুপৰি আৰম্ভণিতে যি পটভূমি দাঙি ধৰা হৈছে, তাৰ ব্যঞ্জনা আৰু তাৎপৰ্য ইতিমধ্যে আমি আলোচনা কৰিছোঁহঁক।

গতিকে, গল্পটিৰ আৰম্ভণিৰ বাক্যৰ পৰাই গল্পকাৰ সফল হোৱা বুলি ক'ব পাৰি। কাৰণ শ্ৰেষ্ঠতম গল্পসমূহত গল্পকাৰ আৰম্ভণিৰ বাক্যৰ পৰাই সচেতন হয়। তাৰ ব্যতিক্ৰম হ'লে প্ৰথম খোজতেই গল্পকাৰ ব্যৰ্থ হোৱা বুলি কোৱা হয়। ঠিক তেনেদৰে গল্পটিৰ সামৰণি যথেষ্ট বাস্তৱসন্মত আৰু অতি স্বাভাৱিক হৈছে। সুপথ্য আৰু সুচিকিৎসাৰ সলনি কেৱল দেৱ-দ্বিজত ভক্তি কৰি ৰোগ আৰোগ্য কৰিব নোৱাৰি। মণিৰামৰ মৃত্যুত ঘুনুচাৰ মনত ধৰ্মৰ সৈতে যি অন্তৰ্দ্বন্দ্ব আৰম্ভ হ'ল, তাৰ পৰিণতিত ঘুনুচাই মাটিৰ দেব-দ্বিজ সাজি নানান অত্যাচাৰ চলালে। জীৱনত সৰ্বোচ্চ হেৰুৱাই ঘুনুচাই যি কৰুণ আৰ্তনাদ কৰিছে— সেয়া সমাজ আৰু নিয়তিৰ নিষ্ঠুৰতাৰ কাৰণে উদ্ভৱ হোৱা। এই কৰুণ আৰ্তনাদে সচেতন পাঠকৰ মনত দোলা দি হৃদয়ত সকৰুণ হিল্লোল তোলে। সমাজ আৰু ব্যক্তিৰ দ্বন্দ্বৰ কথা পাঠকে দকৈ ভাবি চাবলৈ বাধ্য হয়। গতিকে, গল্পটিৰ সামৰণি অতি স্বাভাৱিক, বাস্তৱসন্মত আৰু তাৎপৰ্যপূৰ্ণ। অৱশ্যে ই অপ্ৰত্যাশিত বা গভীৰ ব্যঞ্জনাময় নহয়।

বিশিষ্ট সমালোচক হাড্চনৰ মতে— 'Singleness of Aim' আৰু 'Singleness of Effect' —এই দুটা চুটিগল্পৰ অন্যতম বৈশিষ্ট্য। 'লক্ষ্যৰ একমুখিতা' আৰু প্ৰতীতিৰ ঐককেন্দ্ৰিকতা'— ঘুনুচা চুটিগল্পটিত ফুটি উঠা দেখা যায়। 'ঘুনুচা'ৰ জীৱনৰ কাৰুণ্য দাঙি ধৰাই গল্পটিৰ মূল লক্ষ্য। তেনেদৰে গল্পকাৰে সমাজ আৰু ব্যক্তিৰ দ্বন্দ্ব তথা ব্যক্তিৰ জীৱনত সমাজ আৰু নিয়তিৰ ক্ৰূৰ পৰিহাসৰ পৰিণামত ব্যক্তিৰ জীৱন কিদৰে নৰকময় হৈ পৰে— সেই ধাৰণা বা প্ৰতীতি পাঠকৰ মনত গভীৰভাৱে অনুভূত হয়।

চুটিগল্পৰ আন এটি বিশেষত্ব হৈছে স্থান, কাল আৰু ঘটনাৰ ঐক্য। অৱশ্যে স্থান আৰু কালৰ ঐক্য অপৰিহাৰ্য নহয়। কিন্তু ঘটনাৰ ঐক্য নোহোৱাকৈ চুটিগল্প হ'ব নোৱাৰে। বিভিন্ন সময়ত বেলেগ বেলেগ স্থানত ঘটনা ঘটিলেও সেই ঘটনাৰ মাজত এক শক্তিশালী যোগসূত্ৰ থাকিব লাগে। 'ঘুনুচা' গল্পটিত ঘুনুচাৰ জীৱনৰ দীৰ্ঘ সময় সামৰি ল'লেও সেই ঘটনাসমূহৰ মাজত ঐক্য থকা দেখা যায়। গল্পকাৰে বৰ্ণনাৰীতিত সুসংগঠিতভাৱে ঘটনাবোৰ দাঙি ধৰি পাঠকৰ মন কেন্দ্ৰীয় ভাবৰ পৰা আঁতৰি যাবলৈ দিয়া নাই। গতিকে, এই দিশৰ পৰা 'ঘুনুচা' এটি সফল গল্প।

সংক্ষিপ্ততা চুটিগল্পৰ এটি অন্যতম বৈশিষ্ট্য। চুটিগল্প কিমান আয়তনৰ হ'ব লাগেতাক নিৰ্দিষ্টকৈ কৈ দিব নোৱাৰি যদিও ই চুটি হোৱাটো বাঞ্ছনীয়। এড্গাৰ এলেন পোৰ মতে ই আধাঘণ্টাৰ পৰা এক-ডেৰ ঘণ্টাৰ ভিতৰত পঢ়ি শেষ কৰিব পৰা হ'ব লাগে। তেনেদৰে চমাৰচেট মমৰ মতে, একেটা বৈঠকতে পঢ়ি শেষ কৰিব পৰা গল্পই চুটিগল্প। যি সি নহওক, হ্ৰস্বতা ইয়াৰ অন্যতম ঘাই বৈশিষ্ট্য বুলি ক'ব পাৰি। 'ঘুনুচা' গল্পটিৰ আয়তন যথেষ্ট কম। ঘুনুচাৰ জীৱনৰ কাৰুণ্য দাঙি ধৰিবলৈ লেখকে নিৰ্বাচিত ঘটনা কিছুমান দাঙি ধৰিছে মাথোন।

ভাষাৰ ক্ষেত্ৰত বাহুল্য বৰ্জন কৰি লেখকে যথেষ্ট মিতব্যয়িতা আৰু সংযম ৰক্ষা কৰিব লাগে। সেয়ে ভাষাৰ ইঙ্গিতধৰ্মিতা চুটিগল্পৰ এটি অন্যতম বৈশিষ্ট্য। 'ঘুনুচা'

গল্পত লেখকে ভাষাৰ ক্ষেত্ৰত সংযমতা আৰু ইঙ্গিতধৰ্মিতা প্ৰকাশ কৰিছে। ইঙ্গিতধৰ্মিতাৰ ক্ষেত্ৰত আৰম্ভণিৰ দফাটোৰ কথাকে ক'ব পাৰি। আৰম্ভণিৰ বৰ্ণনাই ঘুনুচাৰ জীৱনৰ বা গল্পটিৰ মূল বক্তব্যক ইঙ্গিতেৰে অথচ সংযমতাৰে গল্পকাৰে দাঙি ধৰিবলৈ সক্ষম হৈছে।

গতিকে, ওপৰৰ আলোচনাৰ পৰা দেখা যায়— চুটিগল্প শিল্পৰ ফালৰ পৰা 'ঘুনুচা' এটি সফল গল্প।



অগ্ৰগতি নিৰীক্ষণ

৫ নং প্ৰশ্ন ঃ চুটিগল্প হিচাপে 'ঘুনুচা' গল্পটিৰ আৰম্ভণি আৰু সামৰণি সম্পৰ্কে এটি আলচ যুগুত কৰক। [200 টা শব্দৰ ভিতৰত)



৬.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অসমীয়া চুটিগল্পৰ প্ৰস্তুতি পৰ্বৰ গল্পকাৰসকল আৰু সেই যুগৰ গল্পৰ বৈশিষ্ট্য সম্পৰ্কে এটি আভাস লাভ কৰিলোঁ।
- গল্পকাৰ শৰৎ চন্দ্ৰ গোস্বামীৰ জীৱন আৰু কৃতি সম্পৰ্কে অৱগত হ'লোঁ।
- গল্পকাৰ গোস্বামীৰ চুটিগল্পৰ প্ৰধান প্ৰধান বৈশিষ্ট্যসমূহৰ সৈতে পৰিচয় হ'লোঁ।
- 'ঘুনুচা' গল্পটিৰ যোগেদি গল্পকাৰগৰাকীৰ গল্পৰ এটি আভাস লাভ কৰিলোঁ।
- ঊনবিংশ-বিংশ শতিকাৰ অসমীয়া সমাজখন সম্পৰ্কে গল্পটিৰ জৰিয়তে এটি আভাস লাভ কৰিলোঁ।
- চুটিগল্পৰ প্ৰধান বৈশিষ্ট্যৰাজিৰ সৈতে পৰিচয় হ'লোঁ।



৬.৬ অধিক জানিবলৈ

1] গোস্বামী, ত্ৰৈলোক্যনাথ [2009] ঃ *আধুনিক অসমীয়া গল্প সাহিত্য*; পাণবজাৰ, গুৱাহাটী ঃ বাণী প্ৰকাশ প্ৰাইভেট লিমিটেড।

2] নেওগ, মহেশ্বৰ আৰু অন্যান্য (সম্পা.) (1978] ঃ *অসমীয়া গল্পগুচ্ছ*; যোৱহাট ঃ অসম সাহিত্য সভা, চন্দ্ৰকান্ত সন্দিকৈ ভৱন¼ø ¸

3] পাটৰ, ধীৰাজ (সম্পা.) (2015] ঃ *অসমীয়া সাহিত্যৰ বিচাৰ আৰু বিশ্লেষণ*; জালুকবাৰী, গুৱাহাটী ঃ সম্প্ৰীতি।

4] বৰা, অপূৰ্ব (সম্পা.) (2012] ঃ *অসমীয়া চুটিগল্প ঐতিহ্য আৰু বিৱৰ্তন*; যোৱহাট ঃ যোৱহাট কেন্দ্ৰীয় মহাবিদ্যালয় প্ৰকাশন কোষ¼

5] শৰ্মা, শৈলেনজিৎ (সম্পা.) (2010] ঃ *অসমীয়া চুটিগল্পৰ আলোচনা*; পাণবজাৰ,

গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ¼



৬.৭ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১ নং প্ৰশ্নৰ উত্তৰ ঃ শৰৎ চন্দ্ৰ গোস্বামীৰ ৰচিত বিভিন্ন শ্ৰেণীৰ গ্ৰন্থসমূহৰ নাম লিখি সমকালীন যুগৰ পৰিপ্ৰেক্ষিতত তেওঁৰ অৱদান সম্পৰ্কে আভাস দিব লাগিব।

২ নং প্ৰশ্নৰ উত্তৰ ঃ গল্পকাৰ হিচাপে বিশেষভাৱে জনাজাত শৰৎ চন্দ্ৰ গোস্বামীৰ গল্পৰ মূল মূল দিশসমূহ লিখিব লাগিব।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ গল্পটিৰ মূল কথাখিনি চমুকৈ লিখি গল্পকাৰে তাৰ যোগেদি 'ঘুনুচা' চৰিত্ৰটিৰ কি কি দিশত পোহৰ পেলাইছে, চমুকৈ লিখক।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ 'ঘুনুচা' গল্পটিত শৰৎ চন্দ্ৰ গোস্বামীৰ গল্পৰ কি কি বিশেষত্ব ফুটি উঠিছে উদাহৰণসহ বিশ্লেষণ কৰিব লাগিব।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ 'ঘুনুচা' গল্পটিৰ আৰম্ভণিৰ আকস্মিকতা, পটভূমিৰ তাৎপৰ্য আৰু সামৰণিৰ স্বাভাৱিক পৰিণতি সম্পৰ্কে ব্যাখ্যা কৰক।



৬.৮ আৰ্হিপ্ৰশ্ন

প্ৰশ্ন ১ ঃ চুটিগল্পৰ মূল বৈশিষ্ট্যসমূহ কি কি? 'ঘুনুচা' গল্পটিত সেই বৈশিষ্ট্যবোৰ কিমানদূৰ ফুটি উঠিছে, উদাহৰণসহ আলোচনা দাঙি ধৰক।

প্ৰশ্ন ২ ঃ 'জোনাকী' যুগৰ গল্পকাৰ হিচাপে শৰৎ চন্দ্ৰ গোস্বামীৰ গল্পৰ এটি মূল্যাঙ্কন আগবঢ়াওক।

প্ৰশ্ন ৩ ঃ 'ঘুনুচা' গল্পটি কোন শ্ৰেণীৰ চুটিগল্প? গল্পৰ কেন্দ্ৰীয় চৰিত্ৰটি বিচাৰ কৰি দেখুৱাওক।

প্ৰশ্ন ৪ ঃ শৰৎ চন্দ্ৰ গোস্বামীৰ গল্পৰ ঘাই ঘাই বৈশিষ্ট্যসমূহ কি কি, এটি আলচ যুগুত কৰক।

প্ৰশ্ন ৫ ঃ 'ঘুনুচা' গল্পটিৰ কথাবস্তুৰ এটি আভাস দাঙি ধৰক।

প্ৰশ্ন ৬ ঃ 'ঘুনুচা' গল্পটিত বিংশ শতিকাৰ অসমীয়া সমাজৰ চিত্ৰ কিদৰে ফুটি উঠিছে, উদাহৰণসহ আলোচনা কৰক।

প্ৰশ্ন ৭ ঃ বেজবৰুৱা আৰু গোস্বামীৰ চুটিগল্পৰ এটি তুলনামূলক আলোচনা দাঙি ধৰক।

*** ***** ***